সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক
# ৰঙিলী বাৰ্ত্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,২২ সংখ্যা,১৭ জেঠ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No.22 Date of Publication- 1 June 2025 Rs. 10.00/-

## কৃত্ৰিম বানৰ বিপৰ্যয়ৰ পৰা মুক্ত হ'ব পৰা নাই গুৱাহাটী মহানগৰবাসী

ৰঙিলী বাৰ্ত্তাসেৱা- নেৰানেপেৰা বৰষুণে গুৱাহাটী মহানগৰীক বিগত ২৪ ঘণ্টাত কৃত্ৰিম মহাসাগৰলৈ পৰিণত কৰিলে। বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য মতে, বিগত ২৪ ঘণ্টাত অকল গুৱাহাটী মহানগৰীতে ১০০ মিঃমিঃৰ সৰ্বাধিক পৰিমাণৰ বৰষুণ হৈছিল। যিটো গুৱাহাটী মহানগৰীত এয়াই প্ৰথম। শনিবাৰে বৰষুণৰ পৰিমাণ যথেষ্ট কম যদিও কৃত্ৰিম বানৰ বিপৰ্যয়ৰ পৰা মুক্ত হ'ব পৰা নাই গুৱাহাটী মহানগৰবাসী। হাতীগাঁও, ৰুক্মিণীগাঁও, জুৰিপাৰ, অনিল নগৰ, সাতগাঁও, মালিগাঁৱৰ বড়িপাৰা, লাচিতনগৰ আদিকে কৰি কেইবাটাও অঞ্চলত কমা নাই বানপানী। উক্ত অঞ্চলকেইটাত মহানগৰ জিলা প্ৰশাসন আৰু এছডিআৰএফ-এনডিআৰএফে উদ্ধাৰ অভিযান অব্যাহত ৰখাৰ লগতে ৰুক্মিণীগাঁও আৰু অনিল নগৰৰ বন্যাৰ্তসকলৰ বাবে পৃথকে আশ্ৰয় শিবিৰ নিৰ্মাণ কৰিছে। বানৰ বাবে এলেকাকেইটাৰ বহুসংখ্যক লোকে নিজৰ গৃহতে জলবন্দী হৈ থকাৰ পাছত এছডিআৰএফে বহু লোকক উদ্ধাৰ কৰি আশ্ৰয় শিবিৰলৈ অনা পৰিলক্ষিত হয়। বহু



অঞ্চলত বৰ্ধিত বানৰ বাবে বিদ্যুৎ বিভাগে বিদ্যুতৰ যোগান বন্ধ কৰি থোৱাত যথেষ্ট সমস্যাৰ সন্মুখীন হয় ৰাইজ। বহু ঠাইত বানপানী কমিছে যদিও বানৰ পিছতে পানীৰ সৈতে অহা বোকা মাটিয়ে অধিক পূতিগন্ধময় অৱস্থাৰ সৃষ্টি কৰে। মহানগৰীৰ বিভিন্ন স্থানত গুৱাহাটী পৌৰ নিগম আৰু প্ৰশাসনে চাফাই অভিযান অব্যাহত ৰাখিছে যদিও এতিয়ালৈকে দুৰ্গন্ধমুক্ত হৈ পৰা নাই মহানগৰীৰ বহু অঞ্চল। চানমাৰিৰ মণিৰাম দেৱান পথৰ অন্তৰ্গত নলা পৰিষ্কাৰ কৰিবলৈ গৈ চাফাই কৰ্মীয়ে নলাৰ পৰা উদ্ধাৰ কৰা খালী বটল আৰু

( দহ পৃষ্ঠাত চাওক)

## ভবানীপুৰত সংঘটিত ভয়ংকৰ দুৰ্ঘটনাত মহিলা অধিবক্তাৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। এই ভয়ংকৰ দুৰ্ঘটনাটোত এগৰাকী মহিলা অধিবক্তা থিতাতে নিহত হয়। প্ৰাপ্ত তথ্য মতে ভৱানীপুৰৰ নিকটৱৰ্তী পূব লুৱাশুৰ গাঁৱৰ নাজমা য়াছমিন নামৰ বজালী আদালতৰ অধিবক্তাগৰাকীয়ে কৰ্তব্য সমাপন কৰি বাছেৰে ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখৰ ফুলৰতল চ'কত নামে। তাৰ পাছতে তেওঁ চাৰি লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰিবলৈ ডাইভাৰ্ছনত থিয় হয়। বিয়লি প্ৰায় ৫.১০ বজাত গুৱাহাটীৰ দিশৰ পৰা তীব্ৰ বেগত আহি থকা এখন চাৰিচকীয়া বাহনে ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'বলৈ বিচৰা এখন ই-ৰিক্সাক বচাবলৈ গৈ নিয়ন্ত্ৰণ হেৰুৱাই ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইডাৰৰ ওচৰত পথ অতিক্ৰম কৰিবলৈ ৰৈ থকা নাজমা য়াছমিনক খুন্দা মাৰে। চাৰিচকীয়া বাহনখনৰ খুন্দাত মহিলা অধিবক্তাগৰাকী

( দহ পৃষ্ঠাত চাওক)

## ব্ৰিটেইন গট টেলেণ্টত উজলিল অসম কন্যা



ৰঙিলী বাৰ্ত্তাসেৱা- আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত উজলি উঠিল ৯ বছৰীয়া অসম কন্যা বিনীতা ছেত্ৰী। আন্তঃৰাষ্ট্ৰীয় ৰিয়েলিটি শ্ব' ব্ৰিটেইন গট টেলেণ্টত ২০২৫ চনৰ ফাইনেলত তৃতীয় স্থান দখল কৰি দেশক গৌৰৱান্বিত কৰিছে বিনীতা ছেত্ৰীয়ে। ৩১ মে'ত অনুষ্ঠিত এই ৰিয়েলিটী শ্ব'ৰ ফাইনেলত অংশগ্ৰহণ

( দুই পৃষ্ঠাত চাওক)

## কৃত্ৰিম বান-ভূমিস্খলনত গুৱাহাটী মহানগৰীত অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীত কেইবাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত কৃত্ৰিম বান আৰু ভূমিস্খলনত অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। গুৱাহাটীৰ ৰুক্মিণীগাঁও, সাতগাঁও, পাঞ্জাবাৰী, অনিল নগৰ, নবীন নগৰ, বৰাগাঁও, হাতীগাঁও, ছাৰ্ভে, চানমাৰি, মালিগাঁৱকে ধৰি বিভিন্ন স্থানত বাস কৰা লোকসকলে কৃত্ৰিম বানত দুৰ্বিসহ জীৱন যাপন কৰিবলগীয়া হৈছে। মহানগৰীত কৃত্ৰিম বানৰ ফলত উক্ত অঞ্চলকেইটাত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ সমান্তৰালকৈ মহানগৰীৰ মালিগাঁও, দঁতালপাৰা, কামাখ্যা, বোন্দা



( দহ পৃষ্ঠাত চাওক)

## অহা মাহৰ পৰা ক্ৰিকেটৰ তিনিওটা ফৰ্মেটত নিয়মৰ পৰিৱৰ্তন

ৰঙিলী বাৰ্ত্তাসেৱা- আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে ক্ৰিকেটৰ তিনিওটা সংস্কৰণতে নিয়মৰ কিছু সালসলনি ঘটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জুন মাহৰ পৰা সলনি হ'ব টেষ্ট ক্ৰিকেটৰ নিয়ম। ১৭ জুনৰ পৰা আৰম্ভ হ'ব বাংলাদেশ- শ্ৰীলংকাৰ মাজত প্ৰথমখন টেষ্ট। উক্ত টেষ্টখনৰ পৰাই নতুন নিয়ম প্ৰৱৰ্তন কৰা হ'ব। ইপিনে জুলাইৰ পৰা সলনি হ'ব বগা বল ক্ৰিকেটৰ নিয়ম। পৰৱৰ্তী বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পৰাই এই নতুন নিয়ম প্ৰৱৰ্তন কৰিব বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থাটোৱে। ২০২৫-২৭ বৰ্ষৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ চক্ৰৰ প্ৰথমখন মেচত মুখামুখি হ'ব বাংলাদেশ আৰু শ্ৰীলংকা। গালেত অনুষ্ঠিত হ'বলগীয়া এই মেচৰ পৰাই কনকাচন চাবৰ



( দহ পৃষ্ঠাত চাওক)

# এছিয়ান এথলেটিকছ চেম্পিয়নশ্বিপৰ অন্তিমদিনা ৫টা পদক অৰ্জন ভাৰতৰ



ৰঙিলী বাৰ্ত্তাসেৱা- দক্ষিণ কোৰিয়াৰ গুমিত চলি থকা ২৬সংখ্যক এছিয়ান এথলেটিকছ চেম্পিয়নশ্বিপৰ অন্তিমদিনাও ভাৰতে দুটা ৰূপ আৰু ৩টা ব্ৰঞ্জৰ পদকসহ মুঠ ৫টা পদক লাভ কৰে। প্ৰতিযোগিতাখনত ১৯টা স্বৰ্ণ, ৯টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ২৪টা পদক লাভ কৰি পদক তালিকাৰ দ্বিতীয় স্থান অধিকাৰ কৰে ভাৰতে। অন্তিমদিনা ভাৰতৰ হৈ ৰূপৰ পদক জয় কৰে পাৰুল চৌধাৰী আৰু শচীন যাদৱে। মহিলাৰ ৫ হাজাৰ মিটাৰ ষ্টেপলচেজত ১৫ মিনিট ১৫.৩৩ ছেকেণ্ডেৰে দ্বিতীয় স্থান অধিকাৰ কৰি পাৰুলে ৰূপৰ পদক জয় কৰে। ইফালে পুৰুষৰ জেভলিন থ্ৰ'ত শচীন যাদৱে ৮৫.১৬ মিটাৰ থ্ৰ' কৰি দ্বিতীয় স্থান অধিকাৰ কৰে আৰু ৰূপৰ পদক জয় কৰে। আনহাতে পুৰুষৰ ২০০ মিটাৰ দৌৰত ভাৰতৰ অনিমেষ কুজুৰে ব্ৰঞ্জৰ পদক জয় কৰে। নিজৰেই ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰি অনিমেষে ২০.৩২ ছেকেণ্ডত নিৰ্দিষ্ট দূৰত্ব অতিক্ৰম কৰি তৃতীয় স্থান অধিকাৰ কৰে। আনহাতে মহিলাৰ ৪০০ মিটাৰ হাৰ্ডলছত ভিত্যই ব্ৰঞ্জৰ পদক লাভ কৰাৰ লগতে মহিলাৰ ৮০০ মিটাৰত ব্ৰঞ্জৰ পদক জয় কৰে পূজাই।

# সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ নাগৰিক সভা




ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ মাছখোৱাস্থিত সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ উদ্যোগত সংগঠনৰ সন্মিলিত ভাবে বৰ্তমান অসমৰ সামগ্ৰিক ৰাজনৈতিক পৰিস্থিতি বিশেষকৈ অসম চৰকাৰে অমানৱীয় ভাবে ভাৰতীয় নাগৰিকক বাংলাদেশী বিদেশী সজাই হাৰাশাস্তি কৰা সন্দৰ্ভত এখন নাগৰিক সভা অনুষ্ঠিত কৰে। উক্ত সভাত কেবাজনো বিশিষ্ট ব্যক্তিয়ে কয় যে, ২০২৬ ৰ বিধান সভা নিৰ্বাচনৰ লক্ষ্য আগত ৰাখি বিজেপি চৰকাৰৰ ৰাজনৈতিক উদ্দেশ্য লাভা লাভৰ বাবে এটা নিৰ্দিষ্ট জনগোষ্ঠী, ধৰ্মীয় সংখ্যালঘু লোকক আক্ৰমণৰ লক্ষ্য হিচাবে লৈ নীৰিহ ভাৰতীয় নাগৰিকক হাৰাশাস্তি নকৰিবলৈ সঁকিয়াই দিয়ে। ন্যায়ালয়ে গঠন কৰি দিয়া ৪ গৰাকী অধিবক্তাৰ দ্বাৰা গঠিত কমিটীৰ অজ্ঞাতে, আজি কিছু দিন আগতে কেইগৰাকী মান ব্যক্তিক দুখন ৰাষ্ট্ৰৰ কোনো আইনী ব্যৱস্থাৰ যোগেদি বিদেশী নাগৰিকক বিতাৰিত নকৰি গৰু ছাগলীৰ দৰে সীমান্ত পাৰ কৰি থৈ অহা কাৰ্য্যক ধিক্কাৰ দিয়ে। সঠিক ভাবে বিদেশী বুলি চিনাক্ত নোহোৱাৰ পিছতো ভাৰতীয় নাগৰিকক ডিটেনচন কেম্পত ৰখা, এন আঁৰ চি সংক্ৰান্তটো তেওঁলোকে কটু ভাবে চৰকাৰক সমালোচনা কৰে। এইখন চৰকাৰে ইচ্ছাকৃত ভাবে এখন শুদ্ধ এন আঁৰ চি প্ৰস্তুত কৰি উলিয়াব বিচৰা নাই। তেওঁলোকৰ দাবী, চৰকাৰে যি কোনো পৰিস্থিতিতে নহওঁক কিয় এখন শুদ্ধ এন আঁৰ চি প্ৰস্তুত কৰিবই লাগিব। ১৯৭১ চনৰ মাৰ্চ মাহলৈকে ভিত্তি বৰ্ষ হিচাবে অসমৰ সকলো দল সংগঠন ৰাইজে বিদেশী বিতাৰণ মানি লৈছে যেতিয়া, ইয়াক আখৰে আখৰে পালন কৰাটো চৰকাৰৰ দায়িত্ব আৰু ১৯৭১ চনৰ সকলো বিদেশী নাগৰিকক বহিষ্কাৰ কৰিবই লাগিব। ইয়াত কোনো আপোচ কৰা নহ'ব। কিন্তু এইদৰে ভাৰতীয় নাগৰিকক অত্যাচাৰ কৰা সহ্য কৰা নহ'ব বুলি তেওঁলোকে হুংকাৰ দিয়ে। সভাত তেওঁলোকে ১২ টা প্ৰস্তাৱ গ্ৰহণ কৰে। অহা ইং ৪ জুন ( নপৃষ্ঠাত চাওক)

# শিক্ষাবিদ প্ৰফুল্ল চন্দ্ৰ বৰাৰ বিয়োগত মাজুলী মহাবিদ্যালয়ত শোকসভা



ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলী কমলাবাৰী বিষ্ণুপুৰ গাঁৱৰ নিৱাসী, এগৰাকী দিগগজ শিক্ষাবিদ, মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক, সদৌ অসম মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থা মাজুলী জিলা সমিতিৰ প্ৰাক্তন সভাপতি, বিভিন্ন সামাজিক অনুষ্ঠানেৰে জড়িত সৰৱহী ব্যক্তি, মাজুলী মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সন্মানীয় সদস্য, দক্ষ প্ৰশাসক, সমাজ সংগঠক প্ৰফুল্ল চন্দ্ৰ বৰাৰ বিয়োগত মাজুলী মহাবিদ্যালয়ত এখনি শোকসভা অনুষ্ঠিত হয়। নিৰ্ভীক, স্পষ্টবাদী তথা আপোচবিহীন ব্যক্তিগৰাকীৰ বিয়োগৰ বাতৰি পাই তেখেতৰ বাসগৃহত গৈ মহাবিদ্যালয়ৰ হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাছতে মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰা শোকসভাত সভাপতিত্ব কৰে শিক্ষাবিদগৰাকীৰ একালৰ ছাত্ৰ তথা মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই আঁত ধৰা সভাখনিত শিক্ষাবিদগৰাকীৰ ব্যক্তিত্ব সম্পৰ্কে বক্তব্য আগবঢ়াই ডঃ দেৱজিৎ শইকীয়াই কয়, "কাহানিও নীতিৰ ক্ষেত্ৰত আপোচ কৰিব নোখোজা আদৰ্শ শিক্ষাগুৰু প্ৰফুল্ল চন্দ্ৰ বৰাদেৱ কেৱল শ্ৰেণীকোঠাৰ ভিতৰতে শিক্ষক নাছিল, শিক্ষাৰ্থীক জীৱনবোধ আৰু নৈতিকতাৰ শিক্ষা দিয়াৰ গুণত তেখেত আছিল এগৰাকী সঁচা অৰ্থত জীৱনৰ শিক্ষক।" তেখেতৰ বিয়োগত মাজুলীৰ বৌদ্ধিক পৰিমণ্ডলত অপূৰণীয় ৰিক্তস্থানৰ সৃষ্টি হ'ল বুলিও অধ্যক্ষজনে উল্লেখ কৰে। মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অধ্যাপক তুলসী ৰাজখোৱা, বসন্ত বৰা, দেৱজ্যোতি খাটনিয়াৰ, ডঃ প্ৰফুল্ল বৰা, দীনেশ পেগু, ডঃ জয়া কলিতা গগৈ, ডঃ পল্লৱী দুৱৰা, আচাৰ্য মোহন দাস, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰী-শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত সভাখনিত প্ৰয়াত শিক্ষাবিদগৰাকীৰ বিদেহ আত্মাৰ সদগতিৰ বাবে মৌন প্ৰাৰ্থনা জনাই শোকপ্ৰস্তাৱ গ্ৰহণ কৰে।

সম্পাদকীয় শিতান...

# কণা- কলা- বোবা



**দেৱাশীষ গোস্বামী**

দেখিও নেদেখা-কণা
শুনিও নুশুনা-কলা
ক'ব খুজিও ক'ব নোৱাৰা -
বোবা

আজিৰ দিনত নিজকে সুৰক্ষিত কৰি ৰখাৰ একমাত্ৰ উত্তম পন্থা উপৰোক্ত অভ্যাস সমূহ। দেখিলোৱেই যেনিবা, কাক ক'ম? কলোৱেই যেনিবা, কোনে শুনিব? শুনিলেই যেনিবা, উচিত ব্যৱস্থা ল'ব জানো? এশ এবুৰি প্ৰশ্ন, এশ এবুৰি চিন্তা, পাৰ্শ্বক্ৰিয়া একা?

নাকৰ পোনে পোনে গৈ নাকৰ পোনে পোনে ঘূৰি অহাৰ গত্যন্তৰ নাই। অলপ ইফাল সিফাল হ'লেই বিপদ অনিবাৰ্য। কলগ্ৰহ চপাই লবলৈ, বাটৰ কচুগাত ঘহিঁ ল'বলৈ কাৰ গৰজ পৰিছে। চকু মুদা কুলিৰ ভাওঁৰেই উত্তম।

চৌপাশৰ পৰিবেশ, সময় ইমানেই কৰ্দযময় তথা বিপদ সংকুল হৈ পৰিছে যে গান্ধীৰ পুতলা তিনিতাৰ শেষৰ জনাই বৈশিষ্ট সলাবলৈ বাধ্য হৈছে। আজিৰ সাম্প্ৰতিক প্ৰেক্ষাপটত ভাল কথা ক'লেই লাগে লেথা, খুজি কিল খোৱাৰ দৰে অৱস্থা। ভাৱসাম্যহীন প্ৰকৃতি, অস্থিৰ মানৰ জীৱন। তাৰ মাজতো তৰান্বিত হোৱা নাই জীয়াই থকাৰ সংগ্ৰাম। কলুষিত, প্ৰদূষিত চৌপাশৰ মাজত অকণমান বিশুদ্ধ অক্সিজেন আজুৰি আনি অপৰিমিত কাৰ্বন ডাই অক্সাইড বিলোৱাৰ অহ-নিশে অঘোষিত প্ৰতিযোগীতা। নিকৃষ্ট কূট কৌশল ৰটনাত, বোকা ছটিওৱাৰ দৃষ্টিকটু কৰ্ম কাণ্ডত ব্যস্ত নিলাজ স্বাৰ্থস্বেশি এছাম। নীচ ৰাজনৈতিক অভিসন্ধিৰে আনক মাৰি ৰজা হোৱাৰ মানসিকতাই চৌপাশে সংঘটিত চৰম অন্যায় অনাচাৰৰ বিৰুদ্ধে মৌনব্ৰত ধাৰণ কৰিবলৈ আমিবোৰ বাধ্য। এফালে প্ৰাণৰ মমতা আনফালে এন্ধাৰ কুঠৰীৰ ভয়। অহিংসা, ন্যায়, বাকস্বাধীনতা আজি পদপিষ্ট। ঘনাই ৰংসলোৱাত সিদ্ধহস্ত কলি যুগৰ এচামৰ কৰ্ম -কাণ্ডত ত্ৰাহি মধুসুধন সুঁৱৰিবলৈ বাধ্য সভ্য সমাজ।

শেষত আপোন ভালেই জগত ভাল কথাষাৰ সৰোগত কৰি কণা, কলা, বোবাহৈ জীৱনৰ বাকী থকা সময়কণ আন দহজনৰ দৰে নিৰ্বিঘ্নে কটোৱাই বৰ্তমান সময়ত বুদ্ধিমানৰ কাম। নহয়নে বাৰু?

এক দুই তিনি
গান্ধীৰ পুতলা পাইছানে
চিনি?

# ব্ৰিটেইন গট টেলেণ্টত

কৰা বিনিতা হ'ল, ভাৰতৰ পৰা ফাইনেলত স্থান লাভ কৰা প্ৰথম প্ৰতিযোগী। এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে ব্ৰিটিছ যাদুকৰ হেৰী মোল্ডিং আৰু দ্বিতীয় স্থান লাভ কৰে এলইডি ডান্স গোট 'দ্য ব্ৰেকআউটছ'। ফলাফল ঘোষণাৰ পিছত উল্লাসিত বিনীতাই কয়, "মই নিজক লৈ অতিশয় সুখী আৰু গৌৰৱান্বিত। এয়া সৰ্বোত্তম অভিজ্ঞতা।" উল্লেখ্য যে, বিনীতা চেত্ৰীৰ ঘৰ অসমৰ কাৰ্বি আংলং জিলাত। ৰাজস্থানৰ জয়পুৰৰ মাই অ'ন স্কুলৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী বিনীতাৰ মূলঘৰ হৈছে অসমৰ কাৰ্বি আংলং জিলাৰ বোকাজানত । সৰুৰে পৰাই আনুষ্ঠানিক প্ৰশিক্ষণ লোৱাৰ পূৰ্বে ইউটিউব ভিডিঅ'ৰ পৰা নৃত্য প্ৰদৰ্শন অনুকৰণ কৰি নৃত্যৰ প্ৰতি জন্মগত আকৰ্ষণ প্ৰদৰ্শন কৰিছিল বিনীতাই । বিনিতাৰ এই সফলতাত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এক ভিডিঅ' শ্বেয়াৰ কৰি গৌৰৱ প্ৰকাশ কৰিছে।

# বানত ডুব গ'ল গুৱাহাটী



ৰঙিলী বাৰ্ত্তাসেৱা- বানত ডুব গ'ল ৰাজ্যৰ ৰাজধানী চহৰ গুৱাহাটী। যোৱা প্ৰায় ৪৮ ঘণ্টা ধৰি নেৰানেপেৰা বৰষুণৰ ফলত ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে গুৱাহাটীত । মুষলধাৰ বৰষুণৰ লগতে বতাহে মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানৰ বাসিন্দাৰ সা-সম্পত্তি ধ্বংস কৰে। এই মহাদুৰ্যোগত মহানগৰীত শিশু-মহিলাসহ পাঁচজনৰ প্ৰাণহানি হয়। মহানগৰীৰ দতালপাৰাৰ নতুন বস্তিত পাহাৰৰ পৰা নামি অহা পানীৰ ধলে গাৰ্ডৱাল ভাঙি ১০ বছৰীয়া এটি শিশুৰ মৃত্যু হৈছে। মৃত শিশুটিৰ নাম দ্বীপজ্যোতি বড়ো। গাৰ্ডৱাল ভাঙি পৰাত শিশুটিৰ বায়েক তানিয়া বড়ো গুৰুতৰভাৱে আহত হয়। সম্প্ৰতি তানিয়া জিএমচিএইচত চিকিৎসাধীন হৈ আছে। আনহাতে, বোন্দাই চপাইডঙৰ দৈমুগুৰিত মাতৃ-কন্যাৰ ভূমিস্খলনত প্ৰাণহানি হোৱাৰ লগতে মালিগাঁৱতো এজন লোকৰ মৃত্যু হয়। দৈমুগুৰিৰ ৩৫ বছৰীয়া পুনম গোস্বামী আৰু চাৰি বছৰীয়া কন্যা নীলাক্ষি গোস্বামীৰ ভূমিস্খলনত মৃত্যু ঘটে। তেওঁলোকৰ সমীপতে থকা চাৰি বছৰীয়া কন্যা ৰঞ্জিতা বড়োৰ ভূমিস্খলনত প্ৰাণহানি হয়। আনহাতে, বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি ৰাজ্যৰ ২২খনকৈ জিলাত ৰেড এলাৰ্ট জাৰি কৰা হৈছিল। একেলেথাৰিয়ে মাজনিশাৰে পৰা অহা বৰষুণে মহানগৰী গুৱাহাটীৰ বিস্তীৰ্ণ অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি কৰে। কৃত্ৰিম বানৰ প্ৰৱণতা ইমানেই ভয়ানক আছিল যে খানাপাৰাৰ পৰা বৰাগাঁও পৰ্যন্ত ২৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ এটা অংশ সম্পূৰ্ণ পানীয়ে বুৰাই পেলায়। একেদৰে মহানগৰীৰ ৱায়াৰলেছ, ৰুক্মিণীগাঁও, হাতীগাঁও, পাঞ্জাবাৰী, অনিল নগৰ, নবীন নগৰ, শিলপুখুৰী, বি বৰুৱা কলেজ ৰোড, আমবাৰী, আৰ জি বৰুৱা পথ, লালগণেশ, কাহিলিপাৰা গণেশ টাৰ্নিং, সাতগাঁও, বশিষ্ঠপুৰ, বশিষ্ঠাশ্ৰম দেৱালয়, চানমাৰি আদি এলেকাত ভয়ংকৰ কৃত্ৰিম বানৰ সৃষ্টি হয়। ৰুক্মিণীগাঁও, হাতীগাঁও, অনিল নগৰ আৰু বশিষ্ঠপুৰত ৰাইজে জলবন্দী হৈ নিজ গৃহতে আবদ্ধ হ'বলগীয়া পৰিস্থিতিৰ সৃষ্টি হ'ল। মহানগৰ জিলা প্ৰশাসন, এছডিআৰএফ, এনডিআৰএফ আৰু অসম আৰক্ষীয়ে উক্ত অঞ্চলসমূহত বৰ্তমানেও উদ্ধাৰ অভিযান অব্যাহত ৰখাৰ লগতে ৰাবাৰ বোটেৰে বহু অঞ্চলত আবদ্ধ নাগৰিকক ঘৰৰ পৰা উলিয়াই সুৰক্ষিত স্থানলৈ নিয়া পৰিলক্ষিত হ'ল। একেধৰণে ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হয় ন-মাইল, যোৰাবাট আৰু খানাপাৰাত। মেঘালয়ৰ পাহাৰ অঞ্চলৰ পৰা নামি অহা বৃহৎ পানীৰ ধলে উক্ত তিনিওটা অঞ্চলত প্ৰবল বানৰ সৃষ্টি কৰে। যাৰ বাবে বহু সময় ধৰি সাধাৰণ ৰাইজৰ লগতে (দহ পৃষ্ঠাত চাওক)

# কেৰালাত একেটা পৰিয়ালৰ ৪জন সদস্যৰ আত্মহত্যা

ৰঙিলী বাৰ্ত্তাসেৱা- কেৰালাত একেটা পৰিয়ালৰ ৪ গৰাকী সদস্যৰ ৰহস্যজনক মৃত্যুক লৈ সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি ৰাজ্যখনৰ ভক্কমত সংঘটিত হৈছে এই মৰ্মান্তিক ঘটনা। প্ৰাথমিক তদন্তৰ পিছত আৰক্ষীয়ে ধাৰণা কৰিছে যে আত্মহত্যা কৰিছে এটা দম্পতী আৰু তেওঁলোকৰ দুই সন্তানে। পৰিয়ালটোৱে ঋণৰ বোজাৰ বাবে এনেদৰে আত্মহত্যাৰ পথ বাছি লোৱা বুলি ধাৰণা কৰিছে আৰক্ষীয়ে। ভক্কমৰ বাসিন্দা অনিল কুমাৰ, তেওঁৰ পত্নী চিজা আৰু দুই পুত্ৰৰ চিপজৰী লোৱা অৱস্থাত নিজ বাসগৃহত মৃতদেহ উদ্ধাৰ হৈছে। পৰিয়ালৰ আটাইকেইজন সদস্য পৃথক পৃথক কোঠাত চিপজৰী লোৱা অৱস্থাত পোৱা গৈছে। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি বিগত কেইবাদিনো ধৰি প্ৰতিৱেশীসকলে অনিল কুমাৰৰ পৰিয়ালৰ কোনো সদস্যক বাহিৰত দেখা পোৱা নাছিল। প্ৰতিৱেশীয়ে আৰক্ষীক খবৰ দিছিল। ইয়াৰ পিছতে আৰক্ষীয়ে গৈ তালাচী চলোৱাৰ সময়ত চাৰিওজনৰ মৃতদেহ উদ্ধাৰ হয়।

# ৩ জুনৰ ভিতৰত অৰুণোদয় ৩.০ৰ ডিজিটেলাইজেচন সম্পূৰ্ণ কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- লোকসেৱা ভৱনৰ সভাকক্ষৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভিডিঅ' কনফাৰেঞ্চযোগে জিলা আয়ুক্তসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত অৰুণোদয় ৩.০ৰ ফলপ্ৰসূ ৰূপায়ণৰ দিশত বৰ্তমানলৈকে হোৱা অগ্ৰগতিকে ধৰি বিভিন্ন দিশ মুখ্যমন্ত্ৰী ড° শৰ্মাই বিতংভাৱে পৰ্যালোচনা কৰে। লগতে অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে মুখ্যমন্ত্ৰী এটি কলি দুটি পাত নামৰ নতুন আঁচনিখনৰ ৰূপায়ণ সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অৰুণোদয় ২.০ অহা ১০ জুনত সমাপ্ত হ'ব। অৰুণোদয় ৩.০ আৰম্ভ কৰিবলৈ হ'লে জিলা আয়ুক্তসকলে ডিজিটালাইজেচন ১০০ শতাংশ সম্পূৰ্ণ কৰিব লাগিব। অহা ৩ জুনৰ ভিতৰত ডিজিলাইজেচন প্ৰক্ৰিয়া ১০০ শতাংশ সম্পূৰ্ণ কৰাৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। ৰেচন কাৰ্ড নথকাৰ বাবে কোনো যোগ্য হিতাধিকাৰী যদি বাদ পৰি গৈছে তেওঁলোকৰ নাম অন্তৰ্ভুক্ত কৰিব লাগিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্টভাৱে উল্লেখ কৰে। ইয়াৰ বাবে জিলা পৰ্যায়ৰ নিৰীক্ষণ কমিটীৰ সভা অনুষ্ঠিত কৰাৰ লগতে অভিভাৱক মন্ত্ৰীসকলৰ লগতো আলোচনা ( নপৃষ্ঠাত চাওক)

# প্ৰায় ৫ ঘণ্টাজুৰি এছআইটিয়ে জেৰা কৰে ৰিপুণ বৰাক



ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণ সন্দৰ্ভত সংবাদ মেলযোগে তথ্য সদৰী কৰা অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাক অসম আৰক্ষীৰ এছআইটিয়ে জেৰা চলায়। ৰূপনগৰৰ মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ কাৰ্যালয়ত চমনমৰ্মে বৃহস্পতিবাৰে দিনৰ১১.১০ বজাত উপস্থিত হোৱা ৰিপুণ বৰাক প্ৰায় ৫ ঘণ্টাজুৰি এছআইটিয়ে জেৰা চলায়। জেৰাৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ৰিপুণ বৰাই কয় যে ভিতৰত কি ধৰণৰ প্ৰশ্ন তদন্তকাৰী বিষয়াই কৰিছে সেই সন্দৰ্ভত মই একো নকওঁ। দীঘলীয়া সময় ধৰি যিখিনি মোক সুধিছে, গোটেইবিলাকৰ উত্তৰ দিছোঁ। মূলতঃ সংবাদ মেলত দিয়া তথ্যৰ ভিত্তিতে মোক তেওঁলোকে বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰিছে। গৌৰৱ গগৈক কি কাৰণত ইমান ডিফেঞ্চ দিছোঁ বা পাকিস্তান সন্দৰ্ভত মোৰ সৈতে কি তথ্য আছে এই সকলোবোৰ তেওঁলোকে বিচাৰিছে। যথাযথভাৱে সকলো উত্তৰ মই দিছোঁ। অৱশ্যে এছআইটিক জেৰাৰ বাবে বিজেপিৰ বৰ্তমানৰ বিধায়ক দিগন্ত কলিতাকো চমন দিয়াৰ বাবে আহ্বান জনায় জ্যেষ্ঠ কংগ্ৰেছী নেতা ৰিপুণ বৰাই। তেওঁ কয় যে বিধায়ক দিগন্ত কলিতাই সামাজিক মাধ্যম ( নপৃষ্ঠাত চাওক)

# গুৱাহাটী উচ্চ ন্যায়ালয়ত পুনৰ বোমাতংক



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী উচ্চ ন্যায়ালয়ত পুনৰ বোমাতংক। বৃহস্পতিবাৰে দিনৰ ভাগত অজ্ঞাত স্থানৰ পৰা অহা এক ভাবুকিভৰা ই-মেইলৰ পিছতে আদালত চৌহদত আতংকৰ সৃষ্টি হয়। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, দিনৰ প্ৰায় ১২ বজাত ই-মেইলটো প্ৰশাসনে লাভ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয় চৌহদ বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি ই-মেইলটোত প্ৰদান কৰা হৈছিল। সূত্ৰটোৱে জনোৱা মতে, দক্ষিণ ভাৰতৰ এটা অখ্যাত সংগঠনৰ পৰা ই-মেইলটো প্ৰেৰণ কৰা হৈছিল। খবৰ পোৱা মাত্ৰকে কেন্দ্ৰীয় আৰক্ষী জিলাৰ উপ-আৰক্ষী আয়ুক্ত অমিতাভ বসুমতাৰীৰ নেতৃত্বত বৃহৎ এটা আৰক্ষীৰ দলে সন্দেহজনক বোমা বিচাৰি তন্ন তন্নকৈ আদালত চৌহদত অভিযান চলায়। আৰক্ষীয়ে বোমা বিশেষজ্ঞৰো সহায় লয়। কেইবাঘণ্টাজুৰি চলোৱা অভিযানৰ অন্তত কোনোধৰণৰ ( নপৃষ্ঠাত চাওক)

# পাকিস্তানলৈ যোৱাৰ কথা স্বীকাৰ গৌৰৱৰ গগৈৰ



ৰঙিলী বাৰ্তাসেৱা- অৱশেষত পাকিস্তানলৈ যোৱাৰ কথা স্বীকাৰ কৰিলে সাংসদ তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈৰ বিৰুদ্ধে উত্থাপন কৰা তিনিটা অভিযোগ ক্ৰমে-পাকিস্তান ভ্ৰমণ, পত্নীয়ে আইএছআইৰ জৰিয়তে দৰমহা লাভ আৰু দুই সন্তানক ব্ৰিটিছ নাগৰিকত্ব দিয়া। এই তিনি অভিযোগক কাৰ্যতঃ স্বীকাৰ কৰি গৌৰৱ গগৈয়ে সমগ্ৰ বিষয়টোক লৈ ৰাজনীতি চলা বুলিহে মন্তব্য কৰে। নতুন দিল্লীত এ আই চি চিৰ মুখ্য কাৰ্যালয়ত এখন সংবাদ মেল সম্বোধন কৰি সাংসদ গগৈৰ স্বীকাৰোক্তি- আজিৰ পৰা ১১-১২ বছৰমান আগতে এবাৰ মই মোৰ পত্নীৰ লগত পাকিস্তানলৈ গৈছিলোঁ। চনটো সম্ভৱতঃ ২০১৩ হ'ব। ১৪-১৫ বছৰ পূৰ্বে মোৰ পত্নীয়ে এগৰাকী ৰাজহুৱা নীতি বিশেষজ্ঞ হিচাপে এটা আন্তৰ্জাতিক প্ৰকল্পৰ সৈতে জড়িত হৈ এবছৰৰ বাবে পাকিস্তানত কাম কৰিছিল। তেওঁ দক্ষিণ এছিয়াত জলবায়ুৰ পৰিৱৰ্তনৰ ওপৰত কাম কৰিবলৈ পাকিস্তানত আছিল। সেই সময়ত পত্নীৰ সৈতে পাকিস্তানলৈ গৈছিলোঁ। তেতিয়া মই সাংসদ নাছিলোঁ। তেওঁ কয় যে বিজেপিৰ কামেই হৈছে বেলেগৰ মানহানি কৰা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দৰাচলতে মোক লৈ বলীউডৰ চি গ্ৰেড চিনেমা এখন বনাই আছে। যাৰ ৰিলিজ ১০ ছেপ্টেম্বৰত হ'ব বুলি তেওঁ প্ৰচাৰ চলাই আছে। কিন্তু সেই চিনেমা যে ফ্লপ হ'ব, সেয়া অসমৰ ৰাইজে ইতিমধ্যে উপলব্ধি কৰিব পাৰিছে। গগৈৰ প্ৰশ্ন- মই বা মোৰ পত্নীয়ে যদি বেআইনী তথা দেশবিৰোধী কিবা কাম কৰিছোঁ, তেনেহ'লে চৰকাৰে যোৱা ১১-১২ বছৰ ধৰি কি কৰি আছে? কেন্দ্ৰৰ ইমানবোৰ তদন্তকাৰী সংস্থা আছে। সেই সংস্থাবোৰেই বা কি কৰি আছিল? মোক লৈ ৰাষ্ট্ৰীয় সুৰক্ষাৰ নিচিনা বিষয়ত সন্দেহ ব্যক্ত কৰা হৈছে। তেনেহ'লে ইমানদিন চৰকাৰে কি কৰি আছিল বুলি গগৈয়ে পুনৰ প্ৰশ্ন উত্থাপন কৰি কয় যে মই বিৰোধী দলৰ নেতা। বিৰোধীৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থাবোৰেতো এটাৰ পিছত এটাকৈ তদন্ত কৰিয়ে আছে। সীমান্তৰ সিপাৰে যদি কোনোবা ব্যক্তিয়ে যায় কিম্বা উভতি আহে তেন্তে সংশ্লিষ্ট ব্যক্তিক কিমানবাৰ সোধা-পোছা কৰা হয় আমি সকলোৱেই জানো। আচলতে অসমত এতিয়া নিৰ্বাচন আহি আছে। নিৰ্বাচনী অংকত মোৰ বিৰুদ্ধে আমাৰ দলৰ নেতৃত্বৰ মাজত এটা সংশয়ৰ বাতাৱৰণ সৃষ্টি কৰিব বিচাৰিছিল মুখ্যমন্ত্ৰীজনে। কিন্তু তেওঁৰ সেই বাসনা পূৰণ নহ'ল। দলৰ নেতৃত্বই মোৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিছে তথা মোক (নপৃষ্ঠাত চাওক)

# বিদেশী শিক্ষাৰ্থীৰ 'ভিছা সাক্ষাৎকাৰ' বন্ধ ড'নাল্ড ট্ৰাম্প প্ৰশাসনৰ



ৰঙিলী বাৰ্তাসেৱা- ড'নাল্ড ট্ৰাম্প প্ৰশাসনে বন্ধ কৰি দিলে বিদেশী শিক্ষাৰ্থীসকলৰ বাবে 'ভিছা সাক্ষাৎকাৰ'। মাৰ্কিন বিদেশ সচিব মাৰ্কো ৰুবিঅ'ৱে স্বাক্ষৰ কৰা এক বিবৃতিত এই কথা উল্লেখ কৰা হৈছে। বিবৃতিত উল্লেখ কৰা হৈছে যে ছ'চিয়েল মিডিয়াৰ কাৰ্যকলাপৰ ওপৰত কঠোৰ নজৰদাৰী চলিব। গতিকে শিক্ষাৰ্থী আৰু এক্সচেঞ্জ শিক্ষাৰ্থীসকলৰ ভিছা প্ৰদান বন্ধ কৰা হ'ব। স্মৰ্তব্য যে কেইদিনমান পূৰ্বেই হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ বিদেশী শিক্ষাৰ্থীসকলক 'বিতাড়ন'ৰ সিদ্ধান্ত লৈছিল ড'নাল্ড ট্ৰাম্প প্ৰশাসনে। এইবাৰ সকলো শিক্ষাক্ষেত্ৰত বিদেশী শিক্ষাৰ্থীসকলৰ ওপৰত কঠোৰ নজৰদাৰীৰ সিদ্ধান্ত লৈছে মাৰ্কিন চৰকাৰে। মাৰ্কিন বিদেশ দপ্তৰৰ তৰফৰ পৰা উল্লেখ কৰা হয় যে এফ এম আৰু জে ভিছাৰ আবেদন-পত্ৰত সাক্ষাৎকাৰ স্থগিত ৰখা হ'ব। এই ভিছাবোৰ মূলতঃ শিক্ষাৰ্থীসকলক প্ৰদান কৰা হয়। বিশ্বৰ সকলো মাৰ্কিন কনচুলেট কাৰ্যালয়ত এই কথা জনাই দিয়া হৈছে। অৰ্থাৎ ভিছাৰ আবেদনকাৰীসকলৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিব নোৱাৰিব কনচুলেট কাৰ্যালয়ে। কাৰণ আবেদনকাৰীসকলৰ ছ'চিয়েল মিডিয়া পৰীক্ষা কৰি চোৱা হ'ব। আবেদনকাৰীৰ ছ'চিয়েল মিডিয়াত আমেৰিকাবিৰোধী পোষ্ট থাকিলে সেয়া বিপজ্জনক হিচাপে চিহ্নিত কৰিব মাৰ্কিন প্ৰশাসনে।

# এছিয়ান এথলেটিক চেম্পিয়নশ্বিপৰ মিক্সড ৰীলেত স্বৰ্ণ জয় ভাৰতৰ



ৰঙিলী বাৰ্তাসেৱা- এছিয়ান এথলেটিক চেম্পিয়নশ্বিপৰ দ্বিতীয়দিনা ভাৰতে ছটাকৈ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। দক্ষিণ কোৰিয়াৰ গুমিত চলি থকা প্ৰতিযোগিতাখনৰ দ্বিতীয় দিনা ভাৰতলৈ দ্বিতীয়টো স্বৰ্ণপদক কঢ়িয়াই আনে মিক্সড ৰীলে দলটোৱে। ৰূপল চৌধুৰী, সন্তোষ কুমাৰ, বিশাল টি কে আৰু শুভ ভেংকটেছনৰ দ্বাৰা গঠিত ভাৰতৰ ৪x৪০০ মিটাৰ মিক্সড ৰীলে দলটোৱে তিনি মিনিট ১৮.১২ ছেকেণ্ডত প্ৰথম স্থান দখল কৰি স্বৰ্ণপদক জয় কৰে। ইপিনে, ডেকাথলন ইভেন্টত ভাৰতৰ তেজস্বিন শংকৰে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে পুৰুষৰ ট্ৰিপল জাম্পত প্ৰবীণ চিত্ৰভেলেই ৰূপৰ পদক অৰ্জন কৰে। প্ৰবীণে ১৬.৯০ মিটাৰ জঁপিয়াই দ্বিতীয় স্থান অধিকাৰ কৰে। আনহাতে, মহিলাৰ ৪০০ মিটাৰ আৰু ১৫০০ মিটাৰত ৰূপৰ পদক (নপৃষ্ঠাত চাওক)

# দিল্লীত কেন্দ্ৰীয় খনিমন্ত্ৰী আৰু ৰে'লমন্ত্ৰীৰ সৈতে বৈঠক মুখ্যমন্ত্ৰীৰ





ৰঙিলী বাৰ্তাসেৱা- দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় কয়লা আৰু খনিমন্ত্ৰী জি কিষাণ ৰেড্ডীক সাক্ষাৎ কৰে। শাস্ত্ৰী ভৱনস্থিত ৰেড্ডীৰ বিভাগীয় কাৰ্যালয়ত অনুষ্ঠিত বৈঠকখনত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ পৰা আৰু বেছিকৈ খনিজ সম্পদ আহৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে নতুন খনিজ সম্পদৰ সন্ধানৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। আনহাতে ৰাজ্যত নতুনকৈ স্থাপন কৰিবলগীয়া তাপবিদ্যুৎ প্ৰকল্পসমূহৰ বাবে নিৰৱচ্ছিন্নকৈ কয়লা সৰবৰাহৰ বিষয়টোক লৈও মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভাগীয় মন্ত্ৰী ৰেড্ডীৰ সৈতে আলোচনাত মিলিত হয়। এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই মাৰ্ঘেৰিটাত থকা কয়লাখনিসমূহৰ সম্প্ৰসাৰণৰ বাবেও মন্ত্ৰী ৰেড্ডীক আনুৰোধ জনায়। কয়লাৰ পৰা অধিক ৰাজহ সংগ্ৰহৰ কৰিব পাৰিলে ৰাজ্যৰ উন্নয়নমূলক কাম-কাজ ত্বৰান্বিত হ'ব বুলি তেওঁ আশা ব্যক্ত কৰে। ৰেড্ডীয়েও অসমৰ অৰ্থনীতিক উজ্জীৱিত কৰিবলৈ ৰাজ্যৰ কয়লা আৰু খনিখণ্ডক প্ৰয়োজনসমূহ পূৰণ কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। বৈঠকৰ পাছত নিজৰ সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰাচুৰ্যতাৰে পৰিপূৰ্ণ অসমৰ খনিজ সম্পদৰ সদ্ব্যৱহাৰৰ বিষয়টোক লৈ তেওঁ বিভাগীয় মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। ইয়াৰ বাবে পাৰস্পৰিক সহযোগিতাক শক্তিশালী কৰি তোলাৰ ওপৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে মন্ত্ৰী ৰেড্ডীৰ সৈতে (নপৃষ্ঠাত চাওক)

# কটন বিশ্ববিদ্যালয় আছু গোটৰ "কটন সুৰভি"



ৰঙিলী বাৰ্তাসেৱা- কটন বিশ্ববিদ্যালয় আছু গোটৰ উদ্যোগত "কটন সুৰভি" শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হয়। কটনৰ ১২৫ তম প্ৰতিষ্ঠা দিৱস উপলক্ষে এই বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰাক্তন কটনিয়ানৰ লগতে বৰ্তমানৰ কটনিয়ানে একে সোঁৱৰণ কৰিলে কটনৰ অতীত। কটনৰ স্মৃতি বিজৰিত বিভিন্ন ফটোও প্ৰদৰ্শিত হয় অনুষ্ঠানটোত। অনুষ্ঠান পৰিচালনা কৰে কটন বিশ্ববিদ্যালয় আছু গোটৰ সাধাৰণ সম্পাদক কুলদীপ গৌতম শৰ্মাই। ন- পুৰণি কটনিয়ানৰ অন্তৰংগ আলাপ অনুষ্ঠানত কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰাতুল চন্দ্ৰ (নপৃষ্ঠাত চাওক)

# সপোন যেন এলাগী মদাৰ



অৰ্ণৱ কটকী,জাঁজী,যোৰহাট

সপোন বিলাক এদিন হৈ পৰিছিল পদ পথৰ ধূলি
আৰু মই এপাহী এলাগী মদাৰ।
তেজে ধোৱা ইতিহাস খুচৰি চোৱাৰ অৱকাশ
আছে নে বাৰু এতিয়াও!
ইউকেলিপ্তাছ গছৰ দৰেই ওখ হৈছিল আমাৰ সপোন আৰু!
আৰু মই যেন লাহে লাহে হৈ পৰিছিলো
তোমাৰ চোতালৰ দুবৰি।।
উলংগ দেশত জানো দাম বাঢ়ে কাপোৰৰ
সপোনৰ এশ এটা কবৰৰ কাষত সাৰ পাই উঠে জানো জীৱনে!
চকুৰ সন্মুখতে উৰে চাৰিও ফালে এজাক শগুন
চিঙি চিঙি, কুটি কুটি খাই মৰা সপোনৰ উৱলি যোৱা মাংস।।
চিৎকাৰ কৰি উঠে ভাঙি যোৱা মনৰ ভৰত কোঙা হৈ পৰা
হেজাৰ জনৰ দুচকুত কৰাল বান্ধে লোতকৰ লুণীয়াই
পাই হেৰুৱা মানুহৰ পট পৰিৱৰ্তন দেখি
এপিয়লা তেজ ৰঙা বিষ পান কৰি তোমাৰ মৰমৰ
অৱশ অধৰ, হেৰাই যোৱা ভাগৰে জীৱন সজাই ।।

# পোহৰ সন্ধানী এজাক নবীন প্ৰজন্ম



সঞ্জীৱ গগৈ, মেলেংগ্ৰাণ্ট,যোৰহাট

নীলিম আকাশত এজাক
ময়ুখ পক্ষীৰ ডেউকাৰ দপদপনি
কলিয়া ডাৱৰ ভেদি
লক্ষ্যলৈ উৰা মাৰে অবিৰাম।
শেঁতা পৰা পৃথিৱীক পুনঃ
বৰ্ণিল কৰাৰ হেঁপাহেৰে
পোহৰ সন্ধানী এজাক নবীন প্ৰজন্ম,
ডেউকাত মেৰিয়াই
এটোপোলা ৰঙীণ পোহৰ
সিঁচিবহি জননীৰ চকাছন্দা হৃদয়ত।
এন্ধাৰৰ সেওঁতা ফালি
বোলাব জ্ঞানৰ আভা
জিলিকাব ধৰণীৰ শিৰ,
ভ্ৰষ্টাচাৰ নাশ কৰি
ৰোধিব এন্ধাৰৰ বাট
অশাৰ অগ্নিশিখা দপদপাই জ্বলিব
উজলিব নবীন প্ৰভাত।



# এক আচহুৱা মন



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

গুৱাহাটীত এই কামটো স্কুৱাৰ ফুট ২০টকাকৈ লও, আপোনালোকে ১০টকাকৈ দিলেও হ'ব।

ৰং মিস্ত্ৰী জনৰ কথাত মোৰ পতিদেৱে তাৰ লগত চুক্তি কৰি ঘৰটো ৰং কৰাৰ দায়িত্ব দিলে। সি সেই মতে মোৰ মিষ্টাৰৰ লগত ৰং আনিব গুৱাহাটীতলৈ গ'ল। সি তাৰ পৰিচিত দোকান এখনলৈ লৈ গ'ল, কথাৰ ফুলজাৰি মাৰি এওঁক দৰদাম একো সুধিবলৈ সুবিধা নিদি, সিয়েই সকলো কথা কৈ থাকিল। শেষত মোৰ মানুহ জনে তাৰ উদ্দেশ্য বুজি পাই বেলেগ দোকান এখনৰ পৰা আনিলে। তাৰ অলপ আপত্তি থাকিল।

শুভদিন এটাত কাম আৰম্ভ কৰিলে, মাননি হিচাপে তাক এখন গামোচা আৰু এটা গেঞ্জী দিলোঁ। সহায়কাৰী নোলোৱাকৈ অকলে সি ৰং কৰি থাকে কিন্তু ইমান কথা কয় আচৰিত, মই পতিদেৱক কওঁ কোনোমতে ৰং কৰা শেষ হ'লে ৰক্ষা। এইটো ফালে অকণমান আৰু ৰং লাগিছিল নেকি? ক'বহে পাৰো। হে ভগৱান! গোটেই ৰঙৰ নেওতা খন মাতি কয়, তহঁতে আদা বেপাৰী হৈ জাহাজ বিষয়ে কি জানিবি!! আমাৰ সৰলতাক দুৰ্বলতা বুলি ভাবিলে---

আমিও মনে মনে থাকোঁ ইতিমধ্যে চুক্তি মতে ঠিকাৰ আধা পইচা নিয়া শেষ আৰু মাজে মাজে খতি কৰে দুই তিনি দিন নাহে। ফোন কৰিলে ঘৈণীয়েকৰ কঁকালৰ বিষ ওজাৰ ওচৰত জৰাফুঁকা কৰা বুলি কয়। তাৰপিছত সি আহিল কামত ধৰিলে কিন্তু মানুহজন মনে মনে থাকে আগৰ কথা কোৱা অভ্যাস নাই, তেনেকৈ কাম কৰি শেষ কৰিলে। আমিও তাক দিব লগা খিনি দি বিদায় দিলোঁ।

দৰ্জা বোৰ শুকোৱাৰ পিছত খিলিবোৰ মাৰিব খুজো মাৰিব নোৱাৰো। ফুটাবোৰ খুচৰি চাই পালোঁ তাতবেলপাত, গজাল, সেন্দুৰ, কলাসূতা ইত্যাদি কিছুমান বস্তু, আমি আচৰিত হ'লোঁ। পিছত গ'ম পালোঁ কামটো সিয়ে কৰিছিল। ৰং কৰি থাকোতে আমি যাতে তাক ভুল নধৰোঁ এক অন্ধবিশ্বাসত সি এইবোৰ তন্ত্ৰ মন্ত্ৰ কৰিছিল।

আমি এইবোৰ বিশ্বাস নকৰো, কিন্তু সি বিশ্বাস কৰে তাৰ গাতে ক্ৰিয়া প্ৰতিক্ৰিয়া বিক্ৰিয়া ঘটি মনে মনে থাকিল।

আমাৰ কিন্তু খুব হাঁহি উঠিছিল, এতিয়াও তাক দেখিলে কথাটো মনত পৰে কিন্তু আমি একো নকলো কোনো দিনে- এক পুৰণি অধ্যায় হিচাপে থাকিল।

# পাহৰণি গৰ্ভত হেৰাই যোৱা সাধু আৰু আইতাৰ স্মৃতি সুৱৰি



পৰিস্মিতা বৰা হাজৰিকা,মাজুলী

" সাধু সাধু সাধু
খাই কঠালৰ বাদু
তামোলে পেলালে ডাবি
কোন ক'লৈ যাবি ?"

জোনাক ৰাতি চোতালত বহি আইতাই কোৱা ৰজা - ৰাণী, সদাগৰৰ সাধুবোৰৰ স্মৃতি আজিও মানসপটত ধৰা দিয়ে । কণমানি নাতিকেইটাক বুকুত সাবটি আইতাই কোৱা সাধুবোৰ এক জীৱন্ত কাহিনী যেন অনুভৱ হয়। তেজীমলা জনীক মাহীমাকে কৰা অত্যাচাৰ, চম্পাৱতীৰ দুখ - সুখবোৰ এতিয়াও হৃদয়ৰ কোনোবা কোণত সাচি থলোঁ গোপনে। ককা আইতাৰ সাধুবোৰে নাতিকেইটাক কেৱল আমোদেই দিয়া নাছিল, আমাৰ মনত সিচি দিছিল শিক্ষাৰ বীজ আৰু এখনি কল্পনাৰ সাগৰ। অতীজৰে পৰা মুখে মুখে চলি অহা সাধুবোৰে লৰা ছোৱালীৰ মনত আমোদ দিয়াৰ লগতে চিন্তাৰ খোৰাকো জগাইছিল। প্ৰতিটো কাহিনীয়ে শিশুৰ মনত সাচ বহুৱাইছিল। যেনেকৈ এটি শিশুৰ শাৰিৰীক বিকাশৰ বিকাশৰ বাবে পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন তেনেকৈ মানসিক, বৌদ্ধিক বিকাশৰ বাবে খেলা ধুলাৰ লগতে গীত মাত আৰু সাধুৰো প্ৰয়োজন আছে । শিশুৰ কল্পনা শক্তিৰ বিকাশ তো সাধুৰ গুৰুত্বপূৰ্ণ ভুমিকা আছে । শিশুৱে শৈশৱতে শুনা সাধুৰ জৰিয়তে চৰাই চিৰিকতি, অৰণ্য, পাহাৰ, জান জুৰি, ৰজা-মহাৰজা আৰু ৰাজকুমাৰী ছবি মনতে অংকন কৰি লয় আৰু সুন্দৰ কাহিনী উপস্থাপন কৰি লব পাৰে।

কিন্তু বৰ্তমান সময়ত সকলো হেৰাই গ'ল পাহৰণিৰ গৰ্ভত। হেৰাই গ'ল ককা -আইতা আৰু নাতিৰ সেই মধুৰ মুহূৰ্তবোৰ। সময়ৰ পৰিবৰ্তনৰ লগে লগে সকলো ইমানেই ব্যস্ত হৈ পৰিল যে কাৰো কতো ৰবলৈ আহৰি নাই। বৰ্তমান সময়ত লৰা ছোৱালী আধুনিক শিক্ষাৰ প্ৰভাৱত পৰি কম্পিউটাৰ, মোবাইল, হমৱৰ্কৰ মাজত ইমানে ব্যস্ত হৈ পৰিল যে সিহঁতৰ ককা -আইতাৰ সাধু শুনাৰ সময়ে বা ক'ত?

সাধু কেৱল লোক সাহিত্যৰ সম্পদেই নহয়, শিশুৰ মনোজগতৰ এক আহিলাও। শিশুৰ কুমলীয়া মনত এখন বেলেগ জগতৰ ছবি সৃষ্টি হয়। নজনাতো জানিবলৈ এক কৌতুহলৰ সৃষ্টি হয়। কিন্তু আজিৰ

# “মা” তুমি অনন্যা

জ্যোতিস্মিতা গোস্বামী শৰ্মা

“কোনে মোক তুলি তালি
কৰিলে ডাঙৰ
মৌ সনা মিঠা মাতে পাহৰি
ভাগৰ;
কৰিছিল স্নেহ দুগালত চুমা
খাই
তেৱে মোৰ পূজনীয়া মৰমৰ
আই।”
কবিতা :“মৰমৰ আই”
কবি: আনন্দ চন্দ্ৰ আগৰৱালা।

“মা” আবেগ সনা এটি মধুৰ শব্দ। “মা” হৈছে মমতাময়ী। বৈদিক যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে মাতৃক ঈশ্বৰৰ পাছতে স্থান দিয়া হৈছে। উপনিষদ, মহাভাৰতত মাতৃক প্ৰথম স্থান দিয়াৰ লগতে পৰম গুৰু হিচাবে গণ্য কৰিছে।

“মা” শব্দটোৰ মহত্ব এটা কাহিনীৰ মাধ্যমেৰে জানো চোন। এদিন এজন শিষ্যই গুৰুক “মা” শব্দৰ মহত্বৰ বিষয়ে সুধিলে। গুৰুৱে শিষ্য জনক ১২ ঘণ্টাৰ পাছত উত্তৰটো দিব বুলি ক'লে। আৰু লগতে শিষ্য জনক ঘৰলৈ গৈ এখন গামোচাৰে এচতা ইটা বান্ধি পেটত আৰি থ'বলৈ ক'লে । শিষ্য জনে গুৰুৰ আদেশ মানি ইটা এচপৰা গামোচাৰে মেৰিয়াই ল'লে। কিন্তু তেওঁ সময় বাঢ়ি যোৱাৰ লগে লগে কষ্ট অনুভৱ কৰিবলৈ ধৰিলে আৰু সময়ৰ পূৰ্বে গুৰুৰ ওচৰ পালেগৈ। তেতিয়া গুৰুৱে শিষ্যক ক'লে “ তুমি ১২ঘন্টা ইটা এচটা বান্ধি ৰাখিব নোৱাৰিলা। এগৰাকী মাতৃয়ে ১০ মাহ ধৰি এটি সন্তান গৰ্ভত লৈ পৃথিৱীলৈ আনে। আৰু সেয়ে “মা”ৰ মহত্ব।” মাতৃ সকল পৃথিৱীতকৈও সহনশীল, চন্দ্ৰতকৈও শীতল।

ওপজিয়েই দুখন লাৱনি হাতৰ কোমল স্পৰ্শত ডাঙৰ হোৱাৰ আঁৰত থকা মহিলা গৰাকীয়ে হ'ল “মা”। “মা” আমাৰ প্ৰেৰণাৰ উৎস। সন্তানক লৈ তেওঁৰ অপাৰ সপোন। বৃক্ষৰ দৰে তেওঁ নীৰৱে - নিমাতে ধুমুহা ঢেৰেকনি সাৱতি লয়। “মা” ক নিষ্ঠুৰ নিয়তিয়ে আমাৰ মাজৰ পৰা কাঢ়ি লৈ গ'ল যদিও তেওঁ আমাৰ আশে পাশে ছাঁৰ দৰে থিয় দি আছে। “মা” মৰমৰ মহাসাগৰ। তেওঁ হেৰাই গ'লে পৃথিৱীৰ পৰা সঁচা মৰম হেৰাই যায়। মাতৃয়ে তেওঁৰ মৰম সন্তানক দেখুৱাব নোৱাৰিলেও হৃদয়ত লৈ ফুৰে।

এগৰাকী সুন্দৰ “মা”। তেওঁৰ কোমল আদৰ, চকুৰ অনন্ত মৰম, মধুৰ হাঁহি, আমাৰ পথ প্ৰদৰ্শক। “মা”ৰ সৰল জীৱন নম্ৰ আৰু বিনয়ী তথা সৰ্বৰাহী ব্যক্তিত্ব সদায়ে স্মৰণীয় হৈ ৰ'ব। তেওঁৰ বিদায় ক্ষতি অপুৰণীয়। “মা”ৰ ঋণ আমি কোনোতো জনমতে পৰিশোধ কৰিব নোৱাৰোঁ।

জন্মদাত্ৰী আই সৌন্দৰ্য্যহীন বা অশিক্ষিত হ'লেও সেই চিৰপুজ্য “মা”ক যথোচিত শ্ৰদ্ধা কৰাটো সন্তান মাত্ৰেই পবিত্ৰ দায়িত্ব আৰু কৰ্তব্য। কবি নৱকান্ত বৰুৱাদেৱে তেখেতৰ “সবাতোকৈ আপোন” নামৰ কবিতটিত লিখিছে---

“হয়তো ন'হব পাৰে মোৰ
আই সবাতো শুৱনি
তথাপি আপোন মোৰ আই,
গছ - লতা ফুলে ভৰা এইখন
ধুনীয়া ধৰণী
তেৱেঁই মোক দিলেহি
চিনাই।”

“মা “এটা সৰ্বোত্তম শব্দ, যি গিৰি গুহা, পাহাৰ, পৰ্বততকৈও উচ্চ। এই গৰাকী মায়ে জীৱনৰ অন্তিম ক্ষণলৈকে সন্তানৰ সৰ্বতো প্ৰকাৰ মংগল কামনা কৰে। পৃথিৱীত “মা”ৰ মৰম কোনেও ৰূধিব নোৱাৰে। “মা” আছে আমাৰ দুখৰ হুমুনিয়াহৰ মাজত। এগৰাকী সহজ সৰল নাৰীক “মা” হিচাবে পোৱাটো পৰম সৌভাগ্য যিয়ে কাৰো প্ৰতি বৈৰী ভাৱ নাৰাখি আমাক মিলি থাকিবলৈ শিকোৱাৰ লগতে ডাঙৰক সন্মান কৰিবলৈ শিকাইছিল। “মা” লৈ কৌটি কৌটি প্ৰণাম। “মা”, নেদেখা দেশৰ পৰাই আমাক যেন আশীৰ্বাদ দিয়া। কথাতে কয়, “আই সমান হ'ব কোন নৈ সমান ব'ব কোন।”




# নতুন সমাজ

স্বৰ্ণময়ী কলিতা, শুৱালকুছি



কাঁচিয়লিয়ে এন্ধাৰ ফালি
মিচিকিয়া হাঁহিৰে
জগালেহি পৃথিৱীক
সফলতা প্ৰাপ্তিৰ বাব
নিশাৰ নিহালী এৰি
উঠিল ভুৱন জাগি
মলয়া মৃদু পৰশত
কাঁচিয়লিৰ আলোক পাই
কমলিনীয়ে মেলিলে পাহি
সুবিশাল বিলৰ মাজত।
গছৰ ডালত পৰি পখী
সুললিত গীত জুৰি
মানুহৰ মন মুহিলে ।
সংগোপনে ৰখা
মোৰ আঁধাৰকেচেলুৱা আশাবোৰ
কুকুৰাই ডাক দিয়া পৰতে
আটি আটি বান্ধি
মন্দিৰৰ কাষৰ পুখুৰীত ধুই
বৰ কষ্টৰে ৰাখি আছোঁ
ভাঙি যোৱা সনাজখনক
নকৈ গঢ়িম বুলি ।

# খং নামেই চণ্ডাল



প্ৰাণ প্ৰতিমা বড়া,গুৱাহাটী

পৃথিৱীৰ প্ৰায় সকলো মানুহৰে খং আছে। অসমীয়াত এষাৰ কথা আছে “খং নামেই চণ্ডাল”। সমাজৰ বেছিভাগ মানুহৰে বিভিন্ন সময়ত খঙৰ কবলত পৰি সমাজবিৰোধী কাৰ্য্য, অপৰাধমূলক ঘটনাবোৰ আমি সদায়েই দেখি বা শুনি আহিছোঁ। খঙৰ কবলত পৰি মুহূৰ্ততে একোটি পৰিয়াল ধ্বংস হৈ যাব পাৰে । অত্যাধিক খঙাল মানুহে নিজৰ লগতে আনকো দুখী কৰি ৰাখে। বিভিন্ন কাৰণত মানুহৰ খং উঠিব পাৰে। আত্মকেন্দ্ৰিকতাৰ মাজত সহবাস কৰা মানুহবোৰ স্বাৰ্থপৰ আৰু খঙাল হোৱা দেখা যায়। কিছুমান স্বভাৱগতভাৱে খঙাল। তেওঁলোকে কেতিয়াও কোনো কামতে সন্তুষ্ট নহয়। নিজৰ আপোন মানুহবোৰৰ মাজতে একো কামতেই তেওঁলোক সুখী নহয়। ধৈৰ্য্য নাইকিয়া হয় । তেওঁলোকে নিজৰ মতেৰে পৰিয়ালৰ লোকসকলক চলাব বিচাৰে। খোৱা-বোৱাৰ, পিন্ধা-উৱা সকলো কামতে তেওঁলোকে সন্তুষ্টি লাভ নকৰে। সৰু-সুৰা কথাতে অসন্তুষ্টি প্ৰকাশ কৰে। তেনে স্বভাৱৰ লোকৰপৰা পৰিয়ালৰ লগতে সমাজৰো বিৰূপ প্ৰতিক্ৰিয়া দেখা যায়। মহাভাৰতৰ দুৰ্যোধন এক উদাহৰণ। স্বাৰ্থপৰ, আত্মভিমানী, হিংসুক আৰু খঙাল স্বভাৱৰ বাবেই ধ্বংস মাতি আনিলে ।

অত্যাধিক খং মানুহৰ এক প্ৰকাৰৰ মানসিক বিকাৰ। যিবিলাক মানুহ খং কমাব নোৱাৰে তেনে লোকৰপৰা নিমিষতে এখন ঘৰ ধ্বংস হৈ যাব পাৰে। খুব সুন্দৰকৈ চলি থকা ঘৰ এখনৰ পৰিয়ালৰ কোনোবা এজনৰ অত্যাধিক খঙৰ বাবে হত্যা পৰ্যন্ত হোৱাৰ খবৰ আমি প্ৰায়ে দেখিবলৈ পাওঁ। চাৰিত্ৰিক দিশৰপৰা চাবলৈ গ'লে সাধাৰণতে খঙাল মানুহবোৰ অহংকাৰী, আত্মভিমানী, স্বাৰ্থপৰ হোৱা দেখা যায়। মানুহে খঙৰ কবলত পৰি অসামাজিক, অনৈতিক

(আঠপৃষ্ঠাত চাওক)

অণুগল্প

# বৃথা

মালিনী শইকীয়া

অ' শইকীয়া আমাৰ আই পিতায়ে, তাহানিতে এনেই সংসাৰ খন পাৰা-পাৰ হীণ সাগৰ বুলি কোৱা নাছিল নে? এতিয়া হে বুজিছো পায় তাৰ অৰ্থ। গুৰু জনাইও বৰ গীতৰ মাজেৰে কৈছিল,


অথিৰ ধন জন অথিৰ জীৱন
অথিৰ এহু সংসাৰ পুত্ৰ পৰিবাৰ
সবহু অসাৰ আদি।

হয়তু বৰুৱা কিহে যে জীয়াই থাকোতে জোৰে! জোৰা মাৰিবলৈ কি যে নকৰে! তৃণ এডাল সৃষ্টি কৰিব নোৱাৰা, শ্ৰেষ্ঠ মানৱে আনৰ প্ৰান কাঢ়ি লোৱা ঘাটক হয়। পিচে এই ঐশ্বৰ্য বিভূতি স্থায়ী নে?




অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# অপৰিৱাহী বা কুপৰিৱাহী পদাৰ্থৰ মাজেৰে বিদ্যুৎ প্ৰবাহ



**বন্দিতা শৰ্মা কন্দলি**

মৰমৰ মইনাহঁত, তোমালোকে বিদ্যালয়ত বা আজৰি সময়ত সমনীয়াৰ লগত কিছুমান যাদু দেখুওৱা নহয়নে বাৰু! যেনে ধৰা প্লাষ্টিকৰ স্কেল এপাট শুকান চুলিত ঘঁহি লৈ পপকৰ্ন, থাৰ্মকলৰ সৰু টুকুৰা বা সৰু সৰু কাগজৰ টুকুৰা লাগি ধৰা দেখুওৱা। আকৌ দেখুৱা বলপেনৰ ৰিফিল পলিথিনেৰে জোৰেৰে ঘঁহি সৰু সৰু কাগজৰ টুকুৰাৰ ওচৰলৈ আনিলে কাগজৰ টুকুৰা ৰিফিলে টানি আনে। কেতিয়াবা দুটা ফুলোৱা বেলুন ঊলৰ কাপোৰেৰে ঘঁহি বেলুন দুটি ওচৰ চপাই দিলে বেলুন দুটা এটা আনটোৰ পৰা আতঁৰি যোৱা দেখিবলৈ পাইছা। আকৌ যদি পলিথিনেৰে ঘঁহা ৰিফিল ডালেৰে ঊলৰ কাপোৰেৰে ঘঁহা বেলুনৰ ওচৰলৈ অনা হয় তেনেহলে দুয়োটা লগলাগি যোৱা দেখিছা। কোনোবা এজন বুধিয়ক লগৰীয়াই আকৌ ৰিফিলৰ ঘঁহা মূৰটো হাতেৰে বা কোনো ধাতুৰ বস্তুৰে চুই দি তোমাৰ যাদুটো ফ্লপ মৰাই দিয়ে, নহয়নে বাৰু! এনেধৰণৰ যাদুৰ আঁৰৰ সত্য কথাটো অৰ্থাৎ কি বিজ্ঞান জৰিত হৈ আছে চাওঁ আহা!

এই যাদুত ঘঁহনি খোৱাৰ ফলত দুয়োবিধ পদাৰ্থই আধানযুক্ত হ'ল। অৰ্থাৎ শুকান চুলি আৰু প্লাষ্টিকৰ স্কেল দুয়োটা আহিত হৈছে। একেদৰে প্লাষ্টিকৰ ৰিফিল ডাল যেতিয়া পলিথিনৰ দ্বাৰা ঘঁহা হয় তেতিয়া ৰিফিল আৰু পলিথিনে কম পৰিমাণৰ বৈদ্যুতিক আধান আহৰণ কৰে। এনেদৰে বৈদ্যুতিক আধান আহৰণ কৰা বস্তুক আহিত বস্তু বুলি কোৱা হয়। ঘৰ্ষণৰ দ্বাৰা উৎপন্ন হোৱা বৈদ্যুতিক আধানবোৰ স্থিতিশীল। এনে বিদ্যুতক স্থিতি বিদ্যুৎ বা স্পৰ্শ বা ঘৰ্ষ বিদ্যুৎ বুলিও কোৱা হয়। গ্ৰীক দাৰ্শনিক পণ্ডিত থেলিছে প্ৰথম স্থিতি বিদ্যুৎ আৱিষ্কাৰ কৰিছিল। সিহঁতে নিজে লৰচৰ কৰিব নোৱাৰে। কিন্তু বন্ধুজনে যেতিয়া হাতেৰে ৰিফিল ডাল লাহেকৈ চুই দিয়ে তেতিয়া ৰিফিল ডালৰ পৰা আধানবোৰ বন্ধুৰ শৰীৰৰ মাজেৰে ভূমিলৈ গুচি যায়। লগে লগে বস্তু টো অনাহিত হৈ পৰে আৰু খেলটো দেখুওৱাব পৰা নাযায়। সাধাৰণতে বিদ্যুৎ ধাতু, কাৰ্বন, পানী আদি পৰিবাহী পদাৰ্থৰ মাজেদি প্ৰবাহিত হয়। কিন্তু স্থিতি বিদ্যুৎ বা ঘৰ্ষ বিদ্যুৎ প্ৰদৰ্শনকাৰী পদাৰ্থবোৰ অপৰিবাহী বা কুপৰিৱাহী।

এই স্থিতি বিদ্যুতে ফুলৰ পৰাগযোগ ঘটোৱাত মূখ্য ভূমিকা পালন কৰে। পখিলা বা মৌ-মাখি উৰি ফুৰোঁতে সিহঁতৰ শৰীৰ বায়ুত ঘঁহনি খাই ধনাত্মক আধান উৎপন্ন হয়। আনহাতে ফুলৰ ৰেণুবোৰ সাধাৰণতে ঋণাত্মক। সেই বাবে পখিলা বা মৌ-মাখিবোৰ ফুলৰ ৰেণুৰ প্ৰতি আকৰ্ষিত হয়। অৰ্থাৎ একে জাতীয় আধানে পৰস্পৰক বিকৰ্ষণ কৰে আৰু বিপৰীত জাতীয় আধানে পৰস্পৰক আকৰ্ষণ কৰে। ফুলে ফুলে পৰি পখিলাই ঠেঙত লাগি ধৰা ৰেণুৰ সহায়ত পৰাগযোগ ঘটায়। আকাশত ডাৱৰৰ টুকুৰাৰ মাজত হোৱা ঘঁহনিৰ ফলত সৃষ্টি হোৱা স্থিতি বিদ্যুতৰ বাবেই বিজুলী - ঢেৰেকনি হয়। একে কাৰণতে জাৰকালি ঊলৰ কাপোৰ খুলিলে ফট ফট শব্দ শুনিবলৈ পোৱা যায়।

# নিঃশব্দৰ কোলাহল



**সুনম বিশ্বাস সাহা,তামুলপুৰ**

ৰাঙলী শিৰৰ বাটটো উকা হ'বলৈ
কেৱল এটা ছেকেণ্ড সময় লাগিছিল,
কিন্তু সেই ৰাঙলী হোৱাৰ পূৰ্বৰ বাটটো মসৃণ নাছিল...
দাঁতবোৰ কামুৰি চৌপাশে নিস্তব্ধ ব্ৰত ধাৰণ কৰিছিল।
অশ্ৰুশিক্ত নয়নে পাৰিলেহেঁতেন
চেনাব, ঝিলামৰ বুকু উটাই নিবলৈ
কিন্তু থমকি গ'ল ক্ষন্তেক...
আকাশে শুনিছিল সেই শব্দৰ কোলাহল
কিন্তু কৰুণাৰ দৰিদ্ৰতাত ভোগা
নৰপিশাচবোৰে সেই শব্দৰ তীব্ৰতাৰ
উমান পোৱা নাছিল!
উন্মুক্ত বিহংগই চিঞৰি উঠিছিল,
ৰক্তাক্ত পৰিস্থিতিৰ একমাত্ৰ সাক্ষী আছিল
এই জড় পদাৰ্থবোৰ... বুকুওফন্দাই কান্দিছিল সিহঁতে
যদিও জড়তাই সেই মমতাৰ বহিঃপ্ৰকাশ
হ'বলৈ নিদিলে ।
এহালৰ নৱ সপোনৰ পুলিবোৰে গজালি মেলিছিলহে
অকালতে কালৰ বুকুত জাহ গ'ল, ,
বিনাদ্বিধাই আকোঁৱালি লৈছিল সেই সন্তানৰ মাতৃয়ে, ,
আৱৰণ গুচাই কৰা নৰসংহাৰক ধিক্কাৰ জনাই ।
গুৰি কটা গছৰ দৰে ঢলি পৰিছিল নিষ্প্ৰাণ দেহা
জীৱনৰ চিৰ শয্যাত ।
ৰক্তিম বৰণীয়া উজ্জ্বল আভাক
কিমান সময়লৈ কলীয়া আচ্ছাদনে ঢাকি ৰাখিব ?
শ্ৰেষ্ঠত্বৰ খিতাপ শিৰত ধাৰণ কৰা এচাম নৰমানৱে
স্বৰ্গৰাজ্যক যেনেকৈ নৰকলৈ পৰ্যবসিত কৰিলে,
ইয়াত নুফুলে আৰু মোহনীয়া পাৰিজাত,
গিৰিপথৰ শান্তিৰ বতাহজাকে মন চেঁচা নকৰে
চিত্তৰ স্বাধীনতাত নিজে বাধা হৈ থাকিব বিশাল আক্ৰোশী শৃংগ
পাবনে এনেকুৱা মৰুৰাজ্যত নিষ্পাপ আত্মাই ন্যায় ?
নে এনেকৈয়ে চলি থাকিব ধৰ্মৰ নামত নৰসংহাৰ ?
জীৱনটো হাতৰ মুঠিত লৈ আৰু কিমানদিন
উশাহবোৰ গধুৰ কৰি জীয়াই থাকিব লাগিব ?

# এক অনুভৱ

**চন্দ্ৰনাথ দাস**



সমাজে অৱহেলাৰ চকুৰে নাচায় দেশৰ সচেতন আৰু আগশাৰীৰ নাগৰিক হিচাপে গণ্য কৰা উচিত। আমাৰ দেশত "স্বচ্ছ ভাৰত অভিযান" আঁচনি প্ৰৱৰ্ত্তন কৰাৰ সময়ছোৱাত আমাৰ দেশৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই চাফাই কৰ্মীক ভৰি ধুৱাই সম্বৰ্দ্ধনা জনোৱাৰ কথা আপোনালোকৰ নিশ্চয় মনত আছে । ইয়াৰ দ্বাৰা তেখেতে দেশবাসীক ইয়াকে আদৰ্শ দেখুৱাই ছে যে তেওঁলোকৰ ওপৰতেই আমাৰ চহৰ নগৰবোৰৰ পৰিষ্কাৰ পৰিছন্নতাৰ দায়িত্ব যিহেতু নিৰ্ভৰশীল, গতিকে তেওঁলোকক আমি সকলো নাগৰিকেই শ্ৰদ্ধা ভক্তি কৰিব লাগে।

আমাৰ দেশৰ চাফাই কৰ্মী সকল আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হোৱা উচিত। দেখা যায় যে তেওঁলোকে কেতিয়াবা তেওঁলোকৰ প্ৰাপ্য বিচাৰি দুই এদিন প্ৰতিবাদী কাৰ্যসূচী হাতত ল'লে চহৰ নগৰবোৰ লেতেৰা জাবৰ জোথৰে ভৰি পৰি অতি দুৰ্গন্ধময় হৈ পৰে । যেতিয়া তেওঁলোকে পুনৰ চাফ চিকুন কৰে তেতিয়াহে নগৰ চহৰবোৰ পৰিষ্কাৰ পৰিছন্নহৈ বা সোপযোগী হয় । মই ভাৱোঁ, যিহেতু তেওঁলোকৰ ওপৰতেই আমাৰ নগৰ চহৰবোৰ পৰিষ্কাৰ পৰিছন্ন কৰি ৰখাৰ দায়িত্ব ন্যস্ত হৈ থাকে, গতিকে তেওঁ লোকক

# খং নামেই চণ্ডাল

কাৰ্য্যকলাপ কৰা দেখা যায়। সমাজত দিনকদিনে বাঢ়ি অহা হত্যা, আত্মহত্যা আদি কামবোৰে পৰিয়ালৰ লগতে সমাজৰো বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ পায় । গতিকে খং কমাবলৈ আমি বিভিন্ন ধৰণেৰে চেষ্টা কৰিব লাগে। মেডিটেচন, আধ্যাত্মিক জ্ঞানৰ প্ৰভাৱত মানুহে খং কমাব পাৰে। প্ৰথমতে আমি নিজক বুজিবলৈ যত্নপৰ হোৱা উচিত। অন্যহাতেদি মনোবিজ্ঞানীৰ ওচৰত গৈ পৰামৰ্শ লোৱা উচিত। খং কমোৱাৰ প্ৰথম কামতো হ'ল আমি নিজকে বুজিবলৈ চেষ্টা কৰিব লাগে। খং কমাবলৈ যত্নপৰ হব লাগে, লগতে নিজৰ মনটো শান্তিত ৰাখিবলৈ চেষ্টা কৰিব লাগে। মানুহে খংৰ বাবে যাতে আনৰ অপকাৰ কৰিব নোৱাৰেতাৰ বাবে সামাজিক প্ৰাণী হিচাপে আমি সকলো মানুহেই সজাগ আৰু সচেতন হ'ব লাগে।

# প্ৰায় ৫ ঘণ্টাজুৰি এছআইটিয়ে

ফেচবুকত গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণ সন্দৰ্ভত বহু তথ্য প্ৰদান কৰিছিল। ১৫টা দিন গৌৰৱ গগৈয়ে ভাৰতৰ পৰা কিদৰে পাকিস্তানলৈ গৈ ক'ত আছিল, কাক সাক্ষাৎ কৰিছিল সকলো কথা তথ্যসহকাৰে দিগন্ত কলিতাই দিছিল। এই সন্দৰ্ভত কেইবাটাও সংবাদ মাধ্যমে বাতৰিও যুগুত কৰা মই দেখিছোঁ। এইখিনি তথ্যও এছআইটিৰ সন্মুখত প্ৰদান কৰা বুলি মন্তব্য কৰি ৰিপুণ বৰাই কয় যে দিগন্ত কলিতাৰ তথ্যখিনিৰ পৰা এনে লাগে যেন গৌৰৱ গগৈৰ সৈতে তেৰোঁ লগত গৈছিল। বহু সময় তথ্যখিনি যুকিয়াই চাই মনতে ভাবিছিলোঁ ২০১৩ চনত দিগন্ত কলিতা কংগ্ৰেছতে আছিল। সেই সময়ত গৌৰৱ গগৈ তেওঁৰ বন্ধুও আছিল। গতিকে কিবা কাৰণত সকলো কথা তেওঁ জানিব পাৰে বুলি ভাবি এছআইটিক দিগন্ত কলিতাকো এবাৰ মাতি জেৰা চলাবলৈ মই ক'লোঁ। অৱশ্যে এছআইটিৰ জেৰাৰ সন্মুখীন হ'লেও যথেষ্ট বন্ধুত্বপূৰ্ণভাৱে সকলো কথা তেওঁলোকে মোক সুধিছে। মোৰ পৰা বহু কথা তেওঁলোকে উলিয়াবলৈ চেষ্টা কৰিছে। সেয়া তেওঁলোকে কৰিবই। যিহেতু পেছাগতভাৱে তেওঁলোকে তদন্ত চলাই আছে। অসম চৰকাৰৰ এছআইটিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি তেওঁ কয় যে এছআইটিক মই সন্মান কৰোঁ। অসমৰ ভৌগোলিক সীমাৰ ওপৰত সম্পূৰ্ণ অধিকাৰ তেওঁলোকৰ আছে। তেওঁলোকে দৰকাৰ হ'লে মোক পুনৰ মাতিব বুলি কৈছে। এশবাৰ মাতিলেও মই আহিম। ইফালে পুনৰ এছ আই টিৰ জেৰাৰ সন্মুখীন হ'ব লাগিব ৰিপুণ বৰা। গৌৰৱ গগৈৰ প্ৰসংগত ৰিপুণ বৰাৰ উত্তৰত সন্তুষ্ট নহ'ল এছ আই টি। সংবাদমেলত ৰিপুণ বৰাই কৰা মন্তব্যৰ যথাযথ উত্তৰ তথা তথ্য দিব নোৱাৰিলে ৰিপুণ বৰাই । এই কথা সদৰী কৰিছে তদন্তকাৰী বিষয়াই । বিষয়াগৰাকীয়ে জেৰাৰ অন্তত সংবাদ মাধ্যমৰ আগত কয়, তেওঁ আমাক সহযোগ কৰিছে । কিন্তু সংবাদমেলত তেওঁ কোৱা কথাবোৰৰ কোনো তথ্য দিব পৰা নাই । দিল্লীলৈ কিবা মিটিঙৰ বাবে তেওঁ যাবলগীয়া আছে বুলি আমাক জনোৱাত আজি আমি তেওঁক যাবলৈ দিছোঁ। পুনৰ তেওঁক জেৰা কৰাৰ বাবে মাতি পঠিওৱা হ'ব। তেওঁ কৈছে যে কিছুমান কথা দলৰ ডেমেজ কণ্ট্ৰলৰ বাবে ক'বলগীয়া হ'ল। তেওঁ যিটো কৈছিল তাৰ বাবে ভুল কৰা বুলি স্বীকাৰ কৰিছে। ক'ব নালাগিছিল বুলি তেওঁ কৈছে। সেইটো ৰাজনৈতিক ষ্টেটমেণ্ট আছিল বুলি কৈছে। তেওঁক শীঘ্ৰেই পুনৰ মাতি পঠিওৱা হ'ব।

# গুৱাহাটী উচ্চ ন্যায়ালয়ত পুনৰ

সন্দেহজনক সামগ্ৰী উদ্ধাৰ নহ'ল। উল্লেখ্য যে বিগত ২২ এপ্ৰিলত গুৱাহাটী উচ্চ ন্যায়ালয়ক বোমাৰে উৰুৱাই দিয়াৰ ভাবুকিৰে দুৰ্বৃত্তই ই-মেইল প্ৰেৰণ কৰিছিল। সেই সময়তো আৰক্ষীয়ে বোমা বিশেষজ্ঞসহ কেইবাঘণ্টাজুৰি তন্ন তন্নকৈ তালাচী চলোৱাৰ পাছতো কোনোধৰণৰ বোমা উদ্ধাৰ কৰিব পৰা নাছিল। বৃহস্পতিবাৰে পুনৰ একেটা ঘটনাৰ পুনৰাবৃত্তি হোৱাৰ পাছতে স্বাভাৱিকতে উত্থাপিত হৈছে এয়া দুৰ্বৃত্তৰ সকীয়নি নে তথ্য-প্ৰযুক্তিৰ সহায় লৈ কোনো অখ্যাত লোকে কৰা ধেমালি। আৰক্ষীয়ে বিষয়টো গুৰুত্বসহকাৰে লৈ তদন্ত অব্যাহত ৰখাৰ লগতে এই সন্দৰ্ভত কেন্দ্ৰীয় নিৰাপত্তা সংস্থাকো অৱগত কৰা হ'ব বুলি সদৰী কৰিছে।

# পাকিস্তানলৈ যোৱাৰ কথা স্বীকাৰ

ৰাজ্যৰ দায়িত্ব প্ৰদান কৰিছে। মোক লৈ মুখ্যমন্ত্ৰীৰ মনত যে ইমান ভয় সোমাই আছিল সেয়া মই জনা নাছিলোঁ। গগৈয়ে পুনৰ কয় যে মুখ্যমন্ত্ৰীৰ ওচৰত যদি মোৰ বিৰুদ্ধে সকলোবোৰ তথ্যই আছে তেনেহ'লে ১০ ছেপ্টেম্বৰলৈকে কিয় অপেক্ষা কৰিব লাগে? মোৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ যথেষ্ট গুৰুতৰ- ক্ৰছ ব'ৰ্ডাৰত গতিবিধিৰ বিষয়। 'কোই পিকচাৰ চল ৰাহা হে কেয়া?'-প্ৰশ্ন গৌৰৱ গগৈৰ। গগৈয়ে পুনৰ কটাক্ষ কৰি কয় যে মুখ্যমন্ত্ৰীয়ে এবাৰ ৰাহুল গান্ধীৰ বডী ডাবল দেখা পাইছিল। তেওঁ সম্ভৱতঃ মোৰো বডী ডাব্‌ল দেখা পাইছে পাকিস্তানত চোৰাংচোৱা কৰি থকা। আনহাতে গৌৰৱ গগৈয়ে স্বীকাৰ কৰিছে যে তেওঁৰ পত্নীকে ধৰি দুই সন্তান ব্ৰিটিছ নাগৰিক। তেওঁ কয়-ল'ৰা-ছোৱালীৰ নাগৰিকত্বৰ বিষয়টো মাকৰ ওপৰত নিৰ্ভৰ কৰে। মোৰ কন্যা সন্তানটি ইংলেণ্ডত জন্মগ্ৰহণ কৰিছিল। সেই সময়ত ক'ভিডৰ পৰিৱেশ আছিল। মোৰ শহুৰ দেউতাও ক'ভিডত আক্ৰান্ত হৈছিল বাবে পত্নী আৰু সন্তান ইংলেণ্ডত আছিল। তাতেই ছোৱালীজনীৰ জন্ম হৈছিল। যদিও মোৰ পুত্ৰৰ ভাৰতীয় নাগৰিকত্ব আছিল। ক'ভিডৰ সেই স্থিতি চাই মাকৰ লগতে দুয়োটা সন্তানৰ পাছপৰ্ট ইংলেণ্ডৰেই ৰখাৰ সিদ্ধান্ত লোৱা হৈছিল। এই বিষয়টো সম্পূৰ্ণ ব্যক্তিগত।

# দিল্লীত কেন্দ্ৰীয় খনিমন্ত্ৰী আৰু

আলোচনাকালত কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকলৰ উপৰি ৰাজ্যৰ মুখ্য সচিব ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব কে কে দ্বিবেদী আৰু অসম ভৱনৰ আৱাসিক আয়ুক্ত কবিতা পদ্মনাভনো উপস্থিত থাকে। আলোচনাকালত মন্ত্ৰী ৰেড্ডীৰ বিভাগীয় বিষয়াসকলে অলপতে অৰ্থনৈতিক বিষয়ক সম্পৰ্কিত কেবিনেট কমিটীয়ে দেশৰ শক্তি নীতিৰ পুনৰীক্ষণৰ বাবে প্ৰদান কৰা অনুমোদনৰ কথা ব্যক্ত কৰে। বৈঠকত দেশৰ কয়লা খণ্ডৰ সংস্কাৰৰ জৰিয়তে তাপবিদ্যুৎ প্ৰকল্পসমূহত কয়লাৰ আবণ্টনৰ ক্ষেত্ৰত স্বচ্ছতা অৱলম্বন কৰাৰো পোষকতা কৰা হয়। উল্লেখ্য যে ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতে ১ নিযুত টনতকৈও অধিক কয়লা উৎপাদন কৰিবলৈ সক্ষম হৈছে বুলি চৰকাৰী বিবৃতিত প্ৰকাশ পাইছে। কয়লা আৰু খনিমন্ত্ৰী জি কিষাণ ৰেড্ডীক সাক্ষাতৰ পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতেও ৰে'ল ভৱনত আন এখন আলোচনাত মিলিত হয়। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰিবহণ ব্যৱস্থাত থকা সমস্যাসমূহ দূৰ কৰিবলৈ ৰে'লৰ আন্তঃগাঁথনি সম্প্ৰসাৰণ কৰাৰ লগতে উন্নত ৰে'ল যোগাযোগ ব্যৱস্থাৰ বাবে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ তথা কাৰ্যপ্ৰণালী অধিক কাৰ্যক্ষম কৰি তোলাৰ ওপৰত এই আলোচনাত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকৰ পাছত ৰাজ্য চৰকাৰে এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি আলোচনাকালত মন্ত্ৰী বৈষ্ণৱে স্বীকাৰ কৰে যে অসমক লজিষ্টিক হাব হিচাপে গঢ়ি তুলিবলৈ ৰে'লক আন্তঃগাঁথনি শক্তিশালী কৰি তোলাৰ লগতে ইয়াৰ সম্প্ৰসাৰণৰ প্ৰয়োজন আছে। বৈষ্ণৱৰ সৈতে হোৱা আলোচনাতো ৰাজ্যৰ মুখ্য সচিব, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব আৰু অসম ভৱনৰ আৱাসিক আয়ুক্ত উপস্থিত থাকে।

# ৩ জুনৰ ভিতৰত

কৰিবলৈ জিলা আয়ুক্তসকলক তেওঁ নিৰ্দেশ প্ৰদান কৰে। তদুপৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অৰুণোদয় ৩.০ৰ ডাটাসমূহ বিধানসভা সমষ্টি ভিত্তিত প্ৰস্তুত কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি এই বৈঠকত নতুনকৈ মুখ্যমন্ত্ৰী এটি কলি দুটি পাত নামৰ আঁচনিখনৰ ৰূপায়ণ সন্দৰ্ভতো তেওঁ বিতংভাৱে আলোচনা কৰে। অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই আঁচনিৰ অধীনত ৰাজ্যৰ চাহ বাগিচাৰ স্থায়ী, অস্থায়ী শ্ৰমিক আৰু চাহ বাগিচাসমূহত কৰ্মৰত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকললৈ এককালীন পাঁচ হাজাৰ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। অভিভাৱক মন্ত্ৰীসকলৰ লগত আলোচনামৰ্মে জিলা পৰ্যায়ৰ ৰূপায়ণ কমিটী গঠন কৰিবলৈ জিলা আয়ুক্তসকলক তেওঁ নিৰ্দেশ প্ৰদান কৰে। এই কমিটীত প্ৰতিটো সমষ্টিৰ পৰা চাহ বাগিচা অঞ্চলৰ একোজনকৈ সমাজকৰ্মী অন্তৰ্ভুক্ত কৰাৰ বাবেও নিৰ্দেশ দিয়া হয়। এই আঁচনিৰ অধীনত হিতাধিকাৰী নিৰ্বাচন কৰি জিলা পৰ্যায়ৰ ৰূপায়ণ কমিটীৰ অনুমোদন সাপেক্ষে প্ৰ-পত্ৰ পূৰণকে ধৰি সকলো প্ৰক্ৰিয়া অহা ১০ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ জিলা আয়ুক্তসকলক মুখ্যমন্ত্ৰী ড° শৰ্মাই সময়সীমা নিৰ্ধাৰণ কৰি দিয়ে। স্বাধীনতা দিৱসৰ দিনাই এই আঁচনিখনৰ শুভাৰম্ভ কৰাৰ বাবে চিন্তা-চৰ্চা কৰি থকা হৈছে বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আঁচনিখনৰ ৰূপায়ণৰ বাবে সকলো দিশ তদাৰক কৰিবলৈ এগৰাকী অতিৰিক্ত উপায়ুক্তক ন'ডেল বিষয়া হিচাপে নিয়োগ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। এই বৈঠকত বিত্তমন্ত্ৰী অজন্তা নেওগ, বিধায়ক বিশ্বজিৎ ফুকনৰ উপৰি মুখ্য সচিব ড° ৰবি কোটা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড°কে কে দ্বিবেদী, বিত্ত বিভাগৰ আয়ুক্ত সচিব জয়ন্ত নাৰ্লেকাৰকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

# সদৌ অসম সংখ্যালঘু

২০২৫ ত চচল ধৰ্ণা স্থলীত তেওঁলোকে এক প্ৰতিবাদী কাৰ্য্যসূচী সাব্যস্ত কৰিব বুলি প্ৰস্তাৱ গ্ৰহণ কৰে। তেওঁলোকে অসমৰ বিভিন্ন দল সংগঠন, বিশিষ্ট ব্যক্তিক আমন্ত্ৰণ কৰি গুৱাহাটীত আন এখন ৰাজহুৱা সভা আহ্বান কৰিব আৰু পৰ্য্যায় ক্ৰমে ৪ খন জিলা ক্ৰমে বৰপেটা, কোকৰাঝাৰ, নগাঁও আৰু কৰিমগঞ্জ জিলাটো প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। আজিৰ সভাত চিভিল ছছাইটি তথা কংগ্ৰেছ নেতা, অধিবক্তা হাফিজ ৰচিদ আহমেদ চৌধুৰী, সম্পাদক মহুদ্দৰ হুছেইন, ডঃ আব্দুল মান্নান, আমচুৰ সভাপতি ৰেজাউল কৰিম চৰকাৰ, সম্পাদক মিন্নাতুল ইছলাম, উপদেষ্টা ইমতাজ আলি, জমিয়ট উলেমাৰ সভাপতি জনাইড খালিদ, নেমচুৰ সভাপতি বদৰুল ইছলাম, সংখ্যালঘু সংগ্ৰাম পৰিষদৰ ম: আলি খলিফা, আঁৰ এম চি(বি টি চি) আব্দুল আৱাল মণ্ডল, জমিয়ট উলেমা হিন্দৰ তাৰিক আঁনচাৰি, এ বি এম চু(বি টি এ দি) টাইছুন হুছেইন, সচেটন সমাজৰ মেহদী আলম বৰা, ছাহজাহান আলী তালুকদাৰ, নুৰ আহমেদ, সাংবাদিক দিলোৱৰ হুছেইন, ৰাষ্ট্ৰীয় সাংবাদিক আফ্ৰিডা হুছেইন, ৰাইজৰ দলৰ সম্পাদক ৰাছেল হুছেইনকে আদি কৰি অসমৰ বিভিন্ন জিলাৰ, ক্ৰমে দৰং, তামুলপুৰ, বাক্সা, ওদালগুৰি, কোকৰাঝাৰ, বঙাইগাঁও, চিৰাং, মৰিগাঁও, নগাঁও, বৰপেটা, দক্ষিণ শালমাৰা, ধুবুৰী, গোৱালপাৰা ইত্যাদি ঠাইৰ প্ৰায় ৯০ গৰাকী বিষয় ববীয়াই অংশগ্ৰহণ কৰে।

# এছিয়ান এথলেটিক

লাভ কৰে ভাৰতৰ ৰূপল চৌধুৰী আৰু পূজাই। ৰূপলে ৫২.৬৮ ছেকেণ্ডত নিৰ্দিষ্ট দূৰত্ব অতিক্ৰম কৰাৰ বিপৰীতে পূজাই ৪ মিনিট ১০.৮৩ ছেকেণ্ডত দৌৰ সমাপ্ত কৰে। দ্বিতীয় দিনৰ অন্তলৈকে ভাৰতে দুটা স্বৰ্ণ, ছটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে মঙলবাৰে পুৰুষৰ ১০ হাজাৰ মিটাৰ দৌৰত ভাৰতৰ হৈ প্ৰথমটো স্বৰ্ণপদক জয় কৰিছিল গুলবীৰ সিঙে।

# কটন বিশ্ববিদ্যালয় আছু

ৰাজখোৱা, লেখক তথা সাংবাদিক দিলীপ চন্দন, কটন বিশ্ববিদ্যালয় গণিত বিভাগৰ সহকাৰী অধ্যাপক নৱজিৎ তালুকদাৰ প্ৰমুখ্যে বিভিন্নজনে অনুভৱ ব্যক্ত কৰে। কটনৰ মানিক চন্দ্ৰ বৰুৱা প্ৰশাসনিক ভৱনৰ সন্মুখত ১২৫ গছি বন্তি প্ৰজ্বলন কৰে বিশিষ্ট ব্যক্তি তথা কটনিয়ানে। গীত-কবিতা আৰু কথাৰে জীপাল হৈ পৰে কটনৰ বাকৰি। অনুষ্ঠানত ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাস আৰু নলিনীবালা দেৱী ছাত্ৰী নিবাসৰ আবাসীৰ উপৰি কটন বিশ্ববিদ্যালয় আছু গোটৰ সভাপতি নৱজ্যোতি দাস, উপদেষ্টা হিমাংশু কুমাৰ দাস প্ৰমুখ্যে আছু গোটৰ বিষয়ববীয়াৰ উপস্থিত থাকে। কটন বিশ্ববিদ্যালয় আছু গোটৰ সাধাৰণ সম্পাদক কুলদীপ গৌতম শৰ্মাই উল্লেখ কৰা অনুসৰি কটনৰ ১২৫ তম প্ৰতিষ্ঠা দিৱস উপলক্ষে বিশ্ববিদ্যালয় আছু গোটে কেবাটাও কাৰ্যসূচী ল'ব এই বিশেষ বৰ্ষত।

# কৃত্ৰিম বানৰ বিপৰ্যয়ৰ পৰা মুক্ত হ'ব

প্লাষ্টিকৰ দ'মে হতভম্ব কৰি তুলিছে বিষয়াসকলক। মূলতঃ অকৰ্তৃত্বশীলভাবে বহু লোকে মহানগৰীৰ এনেধৰণৰ বৃহৎ নলাত প্লাষ্টিকৰ বটলকে ধৰি বিভিন্ন আৱৰ্জনা নিক্ষেপ কৰাৰ ফলতে নলাসমূহত দ'ম হে বৰষুণৰ সময়ত ওফন্দি পৰে। যাৰ পৰিণতিত মহানগৰীত, পানী নোহোৱা অঞ্চলসমূহো এইবাৰ বানৰ কবলত পৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে কামৰূপ মহানগৰ জিলা প্ৰশাসনে বানাক্ৰান্ত এলেকাটোত ৰাইজৰ সুবিধাৰ্থে ৰাবাৰ বোট, উক্ত পথটোত চলাচল কৰাইছে। আনহাতে ৰুক্মিণীগাঁৱত বান পৰিস্থিতি তদাৰক কৰিবলৈ গৈ ৰাইজৰ ৰোষৰ সন্মুখীন হ'বলগীয়া হ'ল গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি। জি এছ ৰোডত গাড়ীৰ পৰা নমা সাংসদগৰাকীক ৰুক্মিণীগাঁৱৰ এগৰাকী বাসিন্দাই বানৰ মাজলৈ আহি ৰাইজৰ পৰিস্থিতি তদাৰক কৰিবলৈ আহ্বান জনায়। কিন্তু সাংসদগৰাকীয়ে লোকজনৰ আহ্বানক নেওচা দি অহা বাটেৰে পুনৰ ঘূৰি যায়। কৃত্ৰিম বানৰ লগতে মহানগৰীৰ ঠায়ে ঠায়ে হোৱা ভয়ংকৰ ভূমিস্খলনে সমস্যাৰ সৃষ্টি কৰিছে। শুক্ৰবাৰে বোন্দাৰ ছপাইদাং, দাতালপাৰা আৰু মালিগাঁৱত দুজনকৈ প্ৰাপ্তবয়স্ক লোক আৰু শিশুৰে ভূমিস্খলনত দুৰ্ভাগ্যজনকভাৱে মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছিল। ভূমিস্খলনৰ ভয়াৱহতাৰ পৰা পৰিত্ৰাণ নাপালে অসম আৰক্ষীৰ লোকেও। পানীখাইতী আৰক্ষী চকীৰ সমীপতে থকা আৰক্ষী জোৱানৰ বেৰেকৰ সমীপত মাটি খহি দুজনকৈ জোৱান কিছু পৰিমাণে আহত হ'বলগীয়া হয়। অৱশ্যে সৌভাগ্যক্ৰমে বেৰেকটোত থকা আন ৰছগৰাকী জোৱান বাচিবলৈ সক্ষম হয়। পাণ্ডু-কামাখ্যা সংযোগী পথৰ অন্তৰ্গত বিষ্ণু মন্দিৰ পথত পাহাৰৰ শিল-মাটি খহি মূল পথ আবদ্ধ হৈ পৰে। একেদৰে গাৰ্ডৱাল ভাঙি যথেষ্ট ক্ষতিসাধন হয় ফটাশিল আমবাৰীৰ অন্তৰ্গত আমবাৰী উচ্চ মাধ্যমিক বিদ্যালয়।। প্ৰবল বৰষুণৰ পাছত বিদ্যালয়খনৰ ওচৰৰ মাটি খহি সমীপতে লাগি থকা, গাৰ্ডৱালখনক হেঁচা মাৰি ধৰে। ঘটনাটোত কোনো লোক সৌভাগ্যক্ৰমে আহত হোৱা নাই যদিও বিদ্যালয়খনৰ শৌচাগাৰ পৰ্যন্ত ভাঙি যায়। ইপিনে প্ৰবল বৰষুণৰ পাছত মহানগৰীৰ কৃত্ৰিম বান সৃষ্টি হোৱা এলেকাসমূহ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয় গৃহ আৰু নগৰ পৰিক্ৰমা উন্নয়ন দপ্তৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় ঘাইপথ, পাণ্ডু টেম্প'লঘাট, কামাখ্যা ফুট হিল, বি বৰুৱা ৰোড, জি এছ ৰোড, আমবাৰী, পিবকো পইন্ট, ৰুক্মিণীগাঁও, ৰুক্মিণী নগৰ, জুৰিপাৰকে ধৰি মহানগৰীৰ বিভিন্ন এলেকা পৰিদৰ্শন কৰে। সাংবাদিকৰে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে যোৱা তিনি দিন ধৰি গুৱাহাটী মহানগৰীত যি পৰিমাণৰ বৰষুণ হৈছে সেয়া অত্যন্ত ভয়াবহ। বিশেষকৈ মেঘালয়ৰ পৰা নামি অহা বৃহৎ পৰিমাণৰ পানীয়ে যথেষ্ট। সমস্যাৰ সৃষ্টি কৰিছে। আমাৰ পৰিকল্পনা আছিল যে মেঘালয়ৰ পৰা অহা পানীখিনি পাৰ হ'ব নিদিয়াকৈ তাতেই ৰখাই দিয়াৰ। প্ৰায়ভাগ সময়ত সফল হৈছোঁ যদিও বৰষুণৰ তীব্ৰতাৰ বাবে এইবাৰ কিছু সমস্যাৰ সৃষ্টি হৈছে। কইনাধৰাৰ পৰা দীপৰ বিললৈ স্থায়ী নলাটোৰ কাম সম্পূৰ্ণ হ'লে এই সমস্যা বহু কমি যাব। বাৰিষা শেষ হোৱাৰ পাছতে নলাটোৰ কাম আৰম্ভ হ'ব বুলি তেওঁ কয়। আনহাতে বৰষুণ কমাৰ পাছতে গুৱাহাটী মহানগৰীৰ কিছু ঠাইৰ পৰিস্থিতি বৰ্তমানো স্বাভাৱিক নোহোৱা সন্দৰ্ভত মন্ত্ৰী বৰুৱাই কয় যে গুৱাহাটী মহানগৰীৰ কিছুমান ঠাইত চৰিয়াৰ দৰে পানী জমা হ'লে ওলাই নাযায়। বশিষ্ঠপুৰৰ মৰানদী আৰু ৰুক্মিণীগাঁৱৰ লখিমী জানৰ উদাহৰণ দি তেওঁ কয় যে লখিমী জানৰ অধিকাংশ ঠাইতে বৰ্তমান বেৰ আদি নিৰ্মাণেৰে বেদখল হৈ গৈছে। যাৰ বাবে পানীৰ প্ৰাকৃতিক সংবহনত বাধাৰ সৃষ্টি হৈ আহিছে। এইখিনি মোকলাব নোৱাৰা পৰ্যন্ত পানী একে আষাৰে নোহোৱা হ'ব বুলি কোৱাটো অসম্ভৱ। তেওঁ লগতে কয় যে গুৱাহাটীৰ বান ব্যৱস্থাপনাৰ বাবে অতি শীঘ্ৰে নেদাৰলেণ্ডৰ এটা দলৰ সৈতে চৰকাৰে যুটীয়া জৰীপ চলাব। অৱশ্যে চৰকাৰৰ পৰিকল্পনাত ৰাইজে সহযোগ কৰিব লাগিব বুলিও তেওঁ লগতে কয়। মন্ত্ৰীগৰাকীয়ে বানপ্ৰৱণ এলেকাসমূহৰ অস্থায়ী শিবিৰসমূহ পৰিদৰ্শন কৰি বন্যাৰ্তক সাহায্য সামগ্ৰী প্ৰদানৰ বিষয়টোৰো বুজ লয়।

# বানত ডুব গ'ল গুৱাহাটী

স্কুল বাছতো আবদ্ধ হ'বলগীয়া হ'ল কণ কণ ছাত্ৰ-ছাত্ৰীসকল। উক্ত অঞ্চলকেইটাত সৃষ্টি হোৱা ভয়ংকৰ বানৰ পানীৰ ধল জুৰিপাৰৰ পিনে নামি অহাৰ পাছত পাঞ্জাবাৰী, ছয়মাইল আদি এলেকাৰ বাসিন্দাসকলে ভয়ানক পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়। একেদৰে চানমাৰিত সৃষ্টি হোৱা সাগৰসদৃশ পৰিস্থিতিৰ মাজতে কেইবাগৰাকীও লোকে পানীৰ মাজেৰে গৈ থকাৰ সময়তে এগৰাকী যুৱতী হঠাতে নলাত পৰি যোৱাত হাহাকাৰৰ সৃষ্টি হয়। অৱশ্যে উপস্থিত ৰাইজে লগে লগে যুৱতীগৰাকীক উদ্ধাৰ কৰাত ভয়ংকৰ বিপদৰ পৰা হাত সাৰিবলৈ সক্ষম হ'ল। একপ্ৰকাৰ মুষলধাৰ বৰষুণৰ বাবে মহানগৰী গুৱাহাটীৰ লগতে ৰাজ্যজুৰি জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা স্তব্ধ হৈ পৰিল। কৃত্ৰিম বানৰ ভয়াৱহতা ইমানেই আছিল যে মহানগৰীৰ কেইবাস্থানতো ভৰলু নৈৰ গাৰ্ডৱালৰ ওপৰেৰে পানী বাগৰা পৰিলক্ষিত হ'ল। একেদৰে কোবাল গতিত ওখ ঠাইৰ পৰা নামি অহা পানীৰ বাবে ওফন্দি উঠিল বশিষ্ঠাশ্ৰমৰ সন্ধা-ললিতা-কান্তা নৈ। নৈখনৰ ভয়ংকৰ সোঁতে কাষৰীয়া কেইবাটাও অঞ্চলত ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰে। কৃত্ৰিম বানে মহানগৰীৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ৰুদ্ধ কৰাৰ সময়তে বানক লৈ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে নগৰ পৰিক্ৰমা উন্নয়ন দপ্তৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। মেঘালয়ৰ পৰা নামি অহা বৃহৎ পানীৰ ধলৰ বাবেই গুৱাহাটী মহানগৰীৰ বান পৰিস্থিতি অধিক ভয়ানক হৈ পৰা বুলি উল্লেখ কৰি মন্ত্ৰী বৰুৱাই কয় যে কিছুবছৰ পূৰ্বলৈকে মহানগৰীত কৃত্ৰিম বান হোৱাৰ পাছত সকলো স্তব্ধ হৈ পৰিছিল। কিন্তু ৰাজ্য চৰকাৰে কৃত্ৰিম বান ৰোধ কৰাৰ বাবে লোৱা বিভিন্ন প্ৰচেষ্টাৰ কাৰণেই আজি বান হ'লেও মহানগৰীৰ এটা অংশৰ যাতায়াত স্তব্ধ হৈ পৰা নাই। মহানগৰীৰ বান নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে মেঘালয়ৰ পৰা নামি অহা পানীয়ে মহানগৰীৰ ক্ষতি কৰিব নোৱাৰাৰ বাবে আমি কিছু পদক্ষেপ হাতত লৈছোঁ। কইনাধৰাৰ পৰা গুৰুদ্বাৰ, পামহী, দীপৰ বিল হৈ ব্ৰহ্মপুত্ৰলৈ মহানগৰীৰ অতিৰিক্ত পানীখিনি বোৱাই নিবলৈ এটা চেনেল উন্নত কৰি থকাৰ লগতে খানাপাৰাৰ পিএনআৰডি অফিচৰ পিছফালৰ পৰা জুৰিপাৰ, শিলসাঁকো, বোন্দাজানলৈ আন এটা চেনেল নিৰ্মীয়মাণ অৱস্থাত আছে। এই দুয়োটা চেনেল সম্পূৰ্ণ হৈ উঠিলে কৃত্ৰিম বানৰ প্ৰভাৱ বহুলাংশে কমি যাব। সম্প্ৰতি কেঁচা নলা খান্দি ৰাষ্ট্ৰীয় ঘাইপথৰ পানীখিনি নিয়াৰ ব্যৱস্থা কৰা হৈছে যদিও কালি নিশাৰ পৰা বহু পৰিমাণৰ পানী মেঘালয়ৰ পৰা নামি আহিছে। যাৰ বাবে নলাকেইটাই পানী যিধৰণে সংবহন কৰিব লাগিছিল, সেইধৰণে কৰা নাই। আমাৰ এটা দীৰ্ঘম্যাদী পৰিকল্পনা মহানগৰীৰ বান নিয়ন্ত্ৰণৰ বাবে আছে। সকলোৰে চৰকাৰক সহায় কৰিলে নিশ্চয়কৈ মহানগৰীৰ বান নিয়ন্ত্ৰণ হ'ব। অৱশ্যে ইয়াৰ বাবে কিছুসময়ৰ প্ৰয়োজন হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে লগতে কয়।

# ভবানীপুৰত সংঘটিত

পথটিৰ আনটো দিশত ছিটিকি পৰে। বিপৰীত দিশৰ পৰা আহি থকা এখন ডাম্পাৰ মহিলাগৰাকীৰ গাৰ ওপৰেৰে পাৰ হৈ যায়। ফলত য়াছমিনৰ সম্পূৰ্ণ দেহ ছিন্নভিন্ন হৈ পৰে। অধিবক্তা আমিনুল হকৰ পত্নী নাজমা য়াছমিনৰ শোকাৱহ মৃত্যুত বৃহত্তৰ ভবানীপুৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে সাত বছৰ পূৰ্বে বিবাহপাশত আবদ্ধ হোৱা নাজমা য়াছমিন আছিল তিনি মাহৰ গৰ্ভৱতী। ভবানীপুৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাটোৰ সৈতে জড়িত বাহনকেইখন আৰক্ষী থানালৈ লৈ যায়। সম্পূৰ্ণৰূপে চেপেটা হৈ যোৱা মহিলাগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# কৃত্ৰিম বান-ভূমিস্খলনত

ছপাইদঙত সংঘটিত ভূমিস্খলনত শিশুসহ ৫জনকৈ লোকৰ মৃত্যু হয়। কৃত্ৰিম বানত বিধ্বস্ত অঞ্চলসমূহত মহানগৰ জিলা প্ৰশাসন আৰু এছডিআৰএফে উদ্ধাৰ অভিযান চলোৱাৰ লগতে বন্যাৰ্তক খাদ্য-সামগ্ৰীও বিতৰণ কৰে। শনিবাৰে বতৰ কিছু ফৰকাল হ'লেও ৰুক্মিণীগাঁও, সাতগাঁও, অনিল নগৰ, নবীন নগৰ, হাতীগাঁও আদি অঞ্চলত পানী কিছু পৰিমাণে হ্ৰাস পালেও বান পৰিস্থিতি জটিল হৈয়ে আছে। ৰুক্মিণীগাঁৱত শনিবাৰে এজন লোকৰ মৃত্যু হোৱাত পৰিয়ালৰ লোকে প্ৰশাসনৰ পৰা কোনো সহায় লাভ নকৰাত কলৰ ভুঁৰ সাজি লোকজনৰ মৃতদেহ সৎকাৰৰ বাবে আনিবলগীয়া হোৱা দৃশ্যই সকলোকে মৰ্মাহত কৰি তোলে। এছডিআৰএফ আৰু জিলা প্ৰশাসনে ৰুক্মিণীগাঁও, অনিল নগৰ, নবীন নগৰ, হাতীগাঁৱত ৰবৰ ব'টেৰে উদ্ধাৰ অভিযান অব্যাহত ৰাখে। মহানগৰ আৰক্ষী, জিলা প্ৰশাসন আৰু দল-সংগঠনৰ লোকেও আজি কৃত্ৰিম বানত বিধ্বস্ত অঞ্চলসমূহত বিশুদ্ধ খোৱাপানী আৰু খাদ্য-সামগ্ৰী বিতৰণ কৰে। কৃত্ৰিম বানৰ বাবে মহানগৰীত সৃষ্টি হোৱা অবৰ্ণনীয় পৰিস্থিতিৰ মাজেৰে বান বিধ্বস্ত অঞ্চলসমূহত বাস কৰা লোকসকলে জীৱন যাপন কৰিবলগীয়া হৈছে। কৃত্ৰিম বানৰ ফলত সম্ভাব্য বিপদৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰীৰ ১০০টা ট্ৰেন্সফৰ্মাৰত বিদ্যুৎ যোগান বন্ধ ৰখাত অন্ধকাৰত ডুব যায় বহু অঞ্চল। বিদ্যুৎ যোগান ব্যাহত হৈ পৰাত উক্ত অঞ্চলসমূহত বাস কৰা লোকসকলে খোৱাপানীকে ধৰি বিভিন্ন সমস্যাৰ মাজেৰে নিশা অতিবাহিত কৰিবলগীয়া হয়। কৃত্ৰিম বান-ভূমিস্খলন আৰু ঠায়ে ঠায়ে গছ বাগৰি পৰাত মহানগৰীৰ বহু অঞ্চলত ব্যাহত হৈ আছে বিদ্যুৎ যোগান।

# অহা মাহৰ পৰা ক্ৰিকেটৰ

নতুন নিয়ম আৰম্ভ হ'ব। উক্ত সময়ৰ পৰা কোনো খেলুৱৈয়ে কনকাচন চাব হিচাপে ফিল্ডিং কৰিব নোৱাৰিব। খেল আৰম্ভ হোৱাৰ পূৰ্বে দলসমূহে পাঁচজন ক্ৰিকেটাৰৰ নাম মেচ ৰেফাৰীৰ ওচৰত জমা দিব লাগিব। সেই তালিকাত থাকিব এজন বেটাৰ, এজন উইকেটকীপাৰ, এজন পেচ বলাৰ, এজন স্পিনাৰ আৰু এজন অলৰাউণ্ডাৰ। সেই তালিকাৰ পৰাই উপযুক্ত প্ৰতিস্থাপন ক্ৰিকেটাৰে ফিল্ডিং কৰিব লাগিব। উদাহৰণস্বৰূপে, যদি কোনো স্পিনাৰ আঘাতপ্ৰাপ্ত হয়, তেন্তে তেওঁৰ ঠাইত -বেটাৰক আনিব নোৱাৰি। তালিকাত থকা স্পিনাৰজনকহে আনিব লাগিব। পৰিস্থিতি পৰীক্ষা কৰি মেচৰ ৰেফাৰীয়ে কনকাচন চাবৰ ওপৰত চূড়ান্ত সিদ্ধান্ত ল'ব। এদিনীয়া ক্ৰিকেটতো গুৰুত্বপূৰ্ণ পৰিৱৰ্তন কৰিবলৈ সাজু আইচিচি। এতিয়ালৈকে এদিনীয়া খেলৰ প্ৰতিটো ইনিংছ দুটা বল খেলা হৈছিল। প্ৰতিটো বল খেলা হৈছিল ২৫ অভাৰ। এইবাৰৰ পৰা ৩৪ অভাৰলৈকে পূৰ্বৰ দৰে দুটা বলৰ ব্যৱহাৰ কৰা হ'ব। ৩৫নং অভাৰৰ পৰা এটা বলেৰে খেলিব। ১৭ অভাৰ ব্যৱহাৰ কৰাৰ পিছত তুলনামূলকভাৱে ভাল অৱস্থাত থকা বলটো বাকী ৰছ অভাৰৰ বাবে ব্যৱহাৰ কৰা হ'ব। বৰষুণ বা আন কোনো কাৰণত যদি অভাৰৰ সংখ্যা ২৫ বা তাতকৈ কমলৈ হ্ৰাস পায় তেন্তে গোটেই ইনিংছটো এটা বলৰে খেলা হ'ব। ইনিংছৰ সময়ত যিকোনো সময়তে যদি বল সলনি কৰা হয় তেন্তে ইয়াতকৈ ভাল বল পোৱাৰ কোনো সম্ভাৱনা নাথাকিব। সলনি কৰিবলগীয়া বলটো যিমান অভাৰ খেলা হৈছে সিমান অভাৰ অন্ততঃ ৰিপ্লেচমেন্ট হিচাপে উপলব্ধ হ'ব। ৩৪ অভাৰৰ পিছত খেলাৰ বাবে উপযোগী নোহোৱা বলটোও প্ৰয়োজন হ'লে প্ৰতিস্থাপন হিচাপে ব্যৱহাৰ কৰা হ'ব। বাংলাদেশ-শ্ৰীলংকাৰ মাজত অনুষ্ঠিত হ'বলগীয়া শৃংখলাটোৰ পৰা এদিনীয়া ক্ৰিকেটৰ নতুন নিয়মটো আৰম্ভ হ'ব। ২ জুলাইত প্ৰথমখন এদিনীয়াত দুয়োটা দলে মুখামুখি হ'ব। তদুপৰি আইচিচিয়ে বাউণ্ডেৰী লাইনত ধৰা আৰু ডিআৰএছ লোৱাৰ নিয়মৰ কিছু সালসলনি ঘোষণা কৰিছে। কি পৰিৱৰ্তন হ'ব সেয়া এতিয়াও ঘোষণা কৰা হোৱা নাই।

## ENGLISH NEWS SECTION

# Raj Bhavan, Assam celebrates Goa statehood day



Guwahati, RB News: As part of Ek Bharat Shreshtha Bharat initiative and to honor the spirit of unity in diversity through the observance of statehood days of various States and Union Territories, Raj Bhavan, Assam, celebrated Goa Statehood Day at a function held at Raj Bhavan. The event was celebrated to pay tributes to the rich cultural heritage and the enduring bond between Assam and Goa, highlighting the shared ethos of unity, natural abundance, and cultural vibrancy. Commissioner and Secretary to the Governor S. S. Meenakshi Sundaram in his welcome address, underscored the significance of celebrating statehood days as a way to foster national integration and mutual respect among states. He also drew parallels between the natural beauty and resources of Assam and Goa, noting that their environmental and cultural wealth constitute a treasure-trove for the tourists far and wide. He also said that the celebration reaffirmed Raj Bhavan Assam's commitment to promoting inter-state harmony and recognizing the unique contributions of every region to the nation's collective identity. Principal of St. Xavier's School, Pamohi Fr. Mildon D'Souza while delivering his address emphasized the deep sense of unity that defines life in Goa. He reflected on the cultural richness of the state and the values of togetherness that bind its people. OSD Raj Bhavan Prof. Bechan Lal along with officers and staff of Raj Bhavan were present in the celebration.

## MI eliminate GT from IPL 2025



RB News: MI defeated GT by 20 runs in IPL 2025 Eliminator in Mullanpur on Friday. With this, GT have been knocked out of the tournament, while MI will face PBKS in Qualifier 2 on Sunday for a spot in final. MI posted a total of 228/5 and restricted GT to 208/6 in the Eliminator. RCB have already qualified for the final.

## Kusal Mendis becomes first player to be dismissed hit wicket in IPL



RB News: It has not been a memorable IPL 2025 debut for Kusal Mendis. He became the first player to be dismissed hit-wicket on IPL debut. He also dropped couple of catches behind the wickets that let Mumbai Indians off the hook. Just when it looked like he would redeem himself with the bat, he was dismissed in one of the most bizarre fashions.

## Rohit Sharma becomes 2nd cricketer to score 7000 runs in IPL history



RB News: Rohit Sharma etched another milestone in his storied IPL career, becoming second player to cross 7000 runs in the tournament. He achieved the feat during a fluent knock of 81 off 50 balls in the high-stakes Eliminator against Gujarat Titans at the Maharaja Yadavindra Singh International Cricket Stadium in New Chandigarh on Friday. The former Mumbai Indians captain led from the front, standing firm against Gujarat's bowling unit. With this achievement, he joined Virat Kohli as the only players in IPL history to surpass the 7000-run mark.

## Thailand's Opal Suchata Chuangsri wins Miss World 2025



RB News: Thailand's Opal Suchata Chuangsri has been crowned Miss World 2025 at the 72nd edition of the beauty pageant by the outgoing pageant winner, Czech Republic's Krystyna Pyszková.The beauty pageant was held in Telangana on Saturday. Ethiopia's Hasset Dereje Admassu has been named the runner-up. Meanwhile, India was represented by Kota-born Nandini Gupta.

## Gukesh D beats Fabiano Caruana in Norway Chess 2025




RB News: Following the defeats in his initial two games in Norway Chess 2025, Gukesh Dommaraju has made an amazing comeback in the tournament. After beating Hiikaru Nakamura in the third round of the competition, the youngster looked emboldened on his 19th birthday and defeated the Italian and American Chess Grandmaster Fabiano Caruana in round four of the tournament.

## RCB reach IPL final after 9 years



RB News: RCB defeated PBKS by eight wickets in IPL 2025 Qualifier 1 in Mullanpur on Thursday. With the win, RCB reached an IPL final after nine years. RCB dismissed PBKS for 101 and chased down the target in 10 overs. Meanwhile, PBKS will now face winner of the Eliminator between MI and GT in the Qualifier 2 on June 1.

# এজাৰ ফুলাৰ বতৰ...



**বিশ্বজিৎ বৈশ্য, বংশৰ, শুৱালকুছি**

এজাৰ ফুলা দেখি
বেজাৰ কিয় কৰ
কিয় মনে মাৰি থাক
মোৰ দেহী অ....

এই গীতৰ মাজেৰে বিচাৰি পাও প্ৰকৃতিৰ পৰশত সুশোভিত হোৱা চৌপাশৰ পৰিৱেশ। দলিচা পাৰি থোৱা শাৰী শাৰী নানা ৰঙী ফুলে আনে এক নতুনত্বৰ মাদকতা। বিশেষকৈ মে' মাহত এজাৰ ফুলাৰ সময়, আৰু এই সময়চোৱাত নতুন কুহিপাতৰ লগতে বিভিন্ন ঠাইত ফুলা দেখা যায় এজাৰ। এজাৰ ফুলাৰ যি সৌন্দৰ্য তাক বাটৰুৱাই ও চাই এবাৰ হলেও মুগ্ধ হৈ পৰে, আনকি নিজৰ মোবাইল ফোনত একপি ফটো উঠি সাচি ৰখাৰ চেষ্টা কৰে। এজাৰ ফুলাৰ সময়ত আমাৰ মনলৈ বাৰুকৈয়ে এখন ছবি ভাহি আহে, সেয়া হ'ল বাৰিষা। বেঙুনীয়া চাদৰ খনৰ মাজেৰে বিচাৰি থকা উন্মাদনাত মতলীয়া হোৱা মানুহৰ মনবোৰো এজাৰ ফুলে শান্ত কৰা দেখা যায়। এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে এজাৰ ফুলে। চালে চকু থৰ হোৱা এই প্ৰকৃতিৰ বুকুত যেন ৰহন সানি দিছে এজাৰ ফুলে। হাজাৰ দুখৰ মাজতো অন্য এক নতুনত্বৰ মাদকতা দেখিবলৈ পোৱা যায় এই গছ বিধৰ পৰা। আকাশ খনৰ ৰং বোৰ যেতিয়া সলনি হৈ এজাৰ বৰণীয়া হয়, তেতিয়া পথৰ দাঁতিত থকা এজাৰ গছবোৰ হৈ পৰে পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। তথাপিও মানুহৰ ব্যস্ততাৰে জীৱন-যাপন কৰি থকাৰ মাজতো সকলোবোৰ দুখ-কষ্ট পাহৰি এনেহেন বতৰত এজাৰ গছৰ যি মোহোমোহা সৌন্দৰ্য বাৰুকৈয়ে উপভোগ কৰা দেখা পোৱা যায়।




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286